# হাজো অঞ্চলৰ
# আপুৰুগীয়া পুথি পাঁজি ঃ
# এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন

## (RARE MANUSCRIPTS OF HAJO AREA:
## A FIELD STUDY)

বিশ্ববিদ্যালয় অনুদান আয়োগৰ

ক্ষুদ্ৰ গৱেষণা-প্ৰকল্পৰ

প্ৰতিবেদন

25-1-08

ডঃ লোপা বৰুৱা

বিভাগীয় প্ৰধান, অসমীয়া বিভাগ


সুৰেন দাস মহাবিদ্যালয়

হাজো, অসম

২০০৭

# হাজো অঞ্চলৰ মানচিত্ৰ

## (হাজো ৰাজহচক্র)



# আগকথা

সাঁচনিয়াৰ মানুহে সভ্যতাৰ আদিতম কালৰে পৰা নিজৰ মনৰ ভাব আৰু অনুভূতি সাঁচি ৰাখিবৰ বাবে বিভিন্ন উপায় অৱলম্বন কৰি আহিছে। ইয়াৰে এক অন্যতম অঙ্গ হ'ল সাহিত্য। মানুহৰ মুখ বাগৰি চলি অহা সাহিত্যই লিখিত ৰূপ ল'বলৈ আৰম্ভ কৰাৰ লগে লগে মানৱ-জাতিয়েও নতুন সৃষ্টিৰ আৰিয়া জ্বলালে। গুহাৰ বেৰত, শিলৰ বুকুত প্ৰতীকী চিহ্নৰ দ্বাৰা খোদিত ভাবৰাশিয়েই লাহে লাহে বিৱৰ্তনৰ বুকুৰেদি বগুৱাবাই যুগৰ অভিজ্ঞতাক বুকুত সামৰি ল'লে। ইয়াৰ পৰাই আৰম্ভ হ'ল পুথি-পাঁজি ৰচনাৰ গৌৰৱময় জয়যাত্ৰা। হাতে লিখা আপুৰুগীয়া পুথি-পাঁজিসমূহ এনে অভিজ্ঞতৰে উৎকৃষ্ট ফচল।

ছপাশালৰ উদ্ভৱ হোৱাৰ আগলৈকে সকলো সভ্য দেশতে সাহিত্য-চৰ্চ্চাৰ মাধ্যম আছিল হাতে লিখা পুথি-পাঁজিসমূহ। জাতি বিশেষৰ অতীত ঐতিহ্য আৰু সভ্যতাৰ ইতিহাস অধ্যয়নৰ অন্যতম সম্পদ হৈছে সেই জাতিৰ সাহিত্যৰাজি। সভ্যতাৰ প্ৰাচীনত্ব তথা উৎকৃষ্টতাৰ পৰিমাপকো সাহিত্যৰ বুকুতে নিহিত থাকে। যি জাতিৰ সাহিত্য যিমানেই প্ৰাচীন আৰু চহকী, সেই জাতিৰ সভ্যতাও সিমানেই উন্নত হোৱা দেখা যায়। ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ তুলনাত অসমীয়া জাতিয়ে অতি প্ৰাচীন কালৰে পৰাই সাহিত্য-চৰ্চ্চাৰ ক্ষেত্ৰত নিৰৱচ্ছিন্নভাৱে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। সমগ্ৰ অসম জুৰি সিঁচৰতি হৈ থকা হাতে লিখা পুথি-পাঁজিসমূহেই তাৰ প্ৰকৃষ্ট উদাহৰণ।

অতীতৰ অমূল্য ৰত্ন-ভাণ্ডাৰ স্বৰূপ এই হাতে লিখা পুথি-পাঁজিসমূহৰ পুনৰুদ্ধাৰ, সুসংৰক্ষণ, প্ৰয়োজনীয় গৱেষণা ইত্যাদি সম্বন্ধে বৰ্তমান সমগ্ৰ বিশ্ব জুৰি এক সজাগ আন্দোলনৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। ভাৰতভূমিও এই দিশত পিছ পৰি থকা নাই। সম্প্ৰতি ভাৰত চৰকাৰে **The National Mission for Manuscripts**-ৰ জৰিয়তে এই আপুৰুগীয়া সম্পদসমূহৰ পুনৰুদ্ধাৰৰ চেষ্টা চলাই আছে। এনে প্ৰয়াসৰ ফলত অসংখ্য পুথি-পাঁজি উদ্ধাৰ হৈছে। এইবোৰে প্ৰাচীন ভাৰতবৰ্ষৰ সাহিত্য-চৰ্চ্চাৰ গৌৰৱোজ্বল ইতিহাসৰ কথাকে আলোকিত কৰিছে।

অসমত পুৰণি পুথি-পাঁজিৰ উদ্ধাৰ  আৰু সিবোৰৰ উপযুক্ত সংৰক্ষণৰ মহৎ চিন্তা কৰা প্ৰথম ব্যক্তিগৰাকী হৈছে আমেৰিকান মিছনেৰী ৰেভাৰেণ্ড ডঃ নেথান ব্ৰাউন। এইগৰাকী অসম-প্ৰেমীৰ নেতৃত্বত খ্ৰীষ্টান মিছনেৰীসকলে ১৮৪০–১৮৫০ চনৰ কালছোৱাত অসমীয়া ভাষাৰ পুনৰ্বাসনৰ কামত ব্ৰতী হোৱাৰ সময়তে পুৰণি পুথি-পাঁজিৰ উদ্ধাৰৰ প্ৰতিও সচেতন দৃষ্টি দিছিল। পৰৱৰ্তী কালত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে অসমৰ পুৰণি পুথিসমূহৰ যথাসম্ভৱ সবিশেষ তথ্য সংগ্ৰহ কৰি সিবোৰৰ একোটাহঁত পৰিচয়মূলক টোকা লিখি উলিয়ায়। গোস্বামীদেৱৰ *Descriptive Catalogue of Assamese Manuscript* নামৰ গ্ৰন্থখন তেনে মহৎ প্ৰচেষ্টাৰে শুভ পৰিণতি। বৰ্তমান গুৱাহাটী

বিশ্ববিদ্যালয়ৰ ‘কৃষ্ণকান্ত সন্দিকৈ পুথি-ভৰাঁল’ এই কাৰ্যত ব্ৰতী হৈ আছে। এই পুথি-ভৰাঁলত Manuscript Resource Centre নামৰ কোষ এটি সংস্থাপন কৰি তাৰ জৰিয়তে অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা পুথি-পাঁজি সংগ্ৰহ কৰি থকা হৈছে। আজিকোপতি পুথি-ভৰাঁলটিয়ে প্ৰায় ২৪,০০০ এনে পুৰণি পুথি সংগ্ৰহ কৰিছে।

হেমচন্দ্ৰ গোস্বামীৰ উল্লিখিত গ্ৰন্থখনিত অসমৰ পুথি উদ্ধাৰ হোৱা ঠাইসমূহৰ উল্লেখ পোৱা যায়। কিন্তু তাত ইতিহাস প্ৰসিদ্ধ হাজো অঞ্চলৰ পুথিসমূহৰ বিশেষ উল্লেখ পাবলৈ নাই। অৱশ্যে লোক-সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ, পুৰণি পুথিৰ প্ৰতি অহেতুক ভীতি ইত্যাদি নানান কাৰণত পণ্ডিতজনা এই অঞ্চলৰ পুথি সংগ্ৰহত ব্যৰ্থ হোৱাটোও অসম্ভৱ নহয়। নক’লেও চলে, বিভিন্ন ধৰ্মৰ পীঠস্থান স্বৰূপ হাজো এলেকাত কিছু বছৰ আগলৈকে সাঁচিপতীয়া/ তুলাপতীয়া পুৰণি পুথি প্ৰায় ঘৰে ঘৰে সংৰক্ষিত আছিল। কিন্তু ছপা-মাধ্যমৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাৰ হেতু লাহে লাহে এনে পুথি-পাঁজিয়ে খোপনি হেৰুৱাবলৈ আৰম্ভ কৰে। তদুপৰি উঁইপোক, এন্দুৰ, নিগনি আদিয়েও ভালেমান পুথি নষ্ট কৰে। আটাইতকৈ ডাঙৰ কথা পুৰণি পুথি-পাঁজি সম্পৰ্কে থকা অন্ধবিশ্বাস আৰু কুসংস্কাৰ বশৱৰ্তী হৈ ইতিমধ্যে সৰহ সংখ্যক পুথি পানীত উটুৱাই দিয়া হ’ল। তথাপি যিখিনি অৱশিষ্ট আছে সেইখিনিৰ তথ্য সংগ্ৰহৰ উদ্দেশ্য আগত ৰাখি এই ক্ষুদ্ৰ গৱেষণা-আঁচনিখনৰ পৰিকল্পনা হাতত লোৱা হৈছিল। বিশ্ববিদ্যালয় অনুদান আয়োগে এই পৰিকল্পনাৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই আয়োগৰ ক্ষুদ্ৰ গৱেষণা-প্ৰকল্প (Minor Research Project)-ৰ অধীনত অৰ্থ-সাহায্য আগবঢ়াই উক্ত আঁচনিৰ বাস্তৱায়ন সহজসাধ্য কৰি তোলে। এই সুযোগতে আয়োগৰ সমূহ কৰ্মকৰ্তালৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিছোঁ।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা অনুমোদিত এই প্ৰকল্পৰ আধাৰতে হাজো অঞ্চলৰ বিভিন্ন ঠাইৰ পৰা ক্ষেত্ৰ-অধ্যয়ন যোগে পুৰণি পুথিৰ সবিশেষ তথ্য আহৰণ কৰা হয়। এই ক্ষেত্ৰত পুথিৰ সংৰক্ষকসকলৰ পৰা ইতিবাচক সঁহাৰি পোৱাটো বিশেষভাৱে মন কৰিবলগীয়া। তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এইখিনিতে উল্লেখ কৰা সমীচীন হ’ব যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ উত্তৰ-পূব আঞ্চলিক কাৰ্যালয়ে উক্ত গৱেষণা প্ৰকল্পটিৰ বাবে আয়োগৰ দশম পৰিকল্পনাৰ অধীনত সৰ্বমুঠ ৭০,০০০/- (সত্তৰ হাজাৰ) টকাৰ আৰ্থিক অনুদান আগবঢ়াইছিল। আয়োগে মোকলাই দিয়া বিভিন্ন কিস্তিৰ ধন মহাবিদ্যালয় কৰ্তৃপক্ষই সময় মতে আদায় নিদিয়া হেতুকে প্ৰকল্পটিৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। সি যি নহওক, এনেবোৰ বাধা-বিঘিনি সত্ত্বেও, গৱেষণা-প্ৰকল্পটিৰ বাবে অনুমতি প্ৰদান কৰি হাজো অঞ্চলৰ এই আপুৰুগীয়া তথ্যৰাজি উদ্ধাৰৰ ক্ষেত্ৰত সহায় কৰা হেতুকে কৰ্তৃপক্ষলৈ আমাৰ অন্তৰভৰা কৃতজ্ঞতাৰ শৰাই যাচিছোঁ।

হাজো অঞ্চলৰ আপুৰুগীয়া পুথিসমূহ উদ্ধাৰৰ ক্ষেত্ৰত বিশেষভাৱে সহায়-সহযোগিতা কৰা মোৰ একালৰ ছাত্ৰী তথা বিভাগীয় সহকৰ্মী ৰঞ্জু ঠাকুৰীয়া, ছাত্ৰ আনোৱাৰ হুছেইন, অংশকালীন অধ্যাপিকা মীনাক্ষি নায়ক, মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক হীৰেন্দ্ৰনাথ ভট্টাচাৰ্য, সহঃ গ্ৰন্থাগাৰিক বিপুল মহন্ত আৰু পুথি-ভৰাঁলৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সূৰ্যকান্ত ভৰাঁলীক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কেইবাখনো দুষ্প্ৰাপ্য পুথিৰ তথ্য যোগান ধৰি লোক-সংস্কৃতিৰ বিশিষ্ট সাধক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শ্ৰেণী-সচিব প্ৰবীণ চন্দ্ৰ দাসদেৱে মোৰ পৰম উপকাৰ সাধিছে। এই সুযোগতে তেখেতলৈকো মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কিছুমন ঋণ শুজিব নোৱাৰি। প্ৰাপ্ত পুথিসমূহৰ পাঠোদ্ধাৰত সহায়ৰ হাত আগবঢ়াই আৰু ছপাখানাৰ যাবতীয় সকলো কাম নিয়াৰিকৈ চম্ভালি মোক তেনে ঋণেৰে ঋণী কৰিছে মোৰ জীৱন-সংগী তথা পূব কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক খগেশ সেন ডেকাই। সদৌ শেষত তেখেতলৈ কৃতজ্ঞতা যাচি এই প্ৰতিবেদনৰ আগকথাৰ মোখনি মাৰিছোঁ।

Lopa Baruah

স্থান ঃ হাজো

দিনাংক ঃ

(ডঃ লোপা বৰুৱা)
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ
সুৰেন দাস মহাবিদ্যালয়
হাজো, অসম।

## বিষয়সূচী


| | | | পৃষ্ঠা |
|---|---|---|---|
| হাজো অঞ্চলৰ মানচিত্ৰ | ঃ | | ·০০ |
| আগকথা | ঃ | | ·০১-·০৩ |
| উপক্ৰমণিকা | ঃ | | ১-১১ |
| প্ৰথম অধ্যায় | ঃ | শাক্ত-ধৰ্মৰ পুথি | ১২-১৫ |
| দ্বিতীয় অধ্যায় | ঃ | শৈৱ-ধৰ্মৰ পুথি | ১৬-১৮ |
| তৃতীয় অধ্যায় | ঃ | বৈষ্ণৱ-ধৰ্মৰ পুথি | ১৯-৩০ |
| চতুৰ্থ অধ্যায় | ঃ | বৌদ্ধ-ধৰ্মৰ পুথি | ৩১-৩২ |
| পঞ্চম অধ্যায় | ঃ | ব্যৱহাৰিক পুথি | ৩৩-৪৬ |
| ষষ্ঠ অধ্যায় | ঃ | অন্যান্য পুথি | ৪৭-৫১ |
| সপ্তম অধ্যায় | ঃ | উপসংহাৰ | ৫২-৫৫ |
| গ্ৰন্থপঞ্জী | ঃ | | ৫৬-৫৭ |
| পৰিশিষ্ট | ঃ | সাঁচিপতীয়া পুথিৰ প্ৰতিলিপি | ৫৮-৫৯ |

# উপক্ৰমণিকা

## প্ৰাক্কথন

অতি প্ৰাচীন কালৰে পৰা অসমত (পুৰণি কামৰূপ ৰাজ্য) হাতেলিখা পুথিৰ এক পৰম্পৰা চলি আহিছে। বাণভট্টৰ *হৰ্ষ-চৰিত*-ত উল্লেখ পোৱা অনুসাৰে সুদূৰ সপ্তম শতিকাতে কামৰূপৰ ৰজা ভাস্কৰবৰ্মণে তেওঁৰ মিত্ৰ কনৌজৰ ৰজা হৰ্ষবৰ্ধনলৈ বিভিন্ন বস্তুৰ লগতে কিছু লেখন সামগ্ৰী আৰু পাঁচখন অগৰু ছালত লিখা পুথিও উপহাৰ স্বৰূপে পঠিয়াইছিল [Bhuyan 1930 : xiii]। ইয়াৰ পৰা অনুমান কৰিবলৈ টান নহয় যে, তাৰো বহু আগৰে পৰাই অসমত লেখন-সঁজুলিৰ ব্যৱহাৰ আছিল। অসমৰ মাটিত প্ৰচুৰ পৰিমাণে উৎপন্ন হোৱা অগৰু বা সাঁচিগছৰ বাকলি বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰি পুথি-পাঁজি লিখিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। তদুপৰি, *পুৰণি অসম বুৰঞ্জী*-ত উল্লিখিত কমতাপুৰৰ ৰাজ মহিষী সুশুদ্ধি ওৰফে গড়মা কুঁৱৰীক অন্তেষপুৰত প্ৰতিদিনে ৰাজপুৰোহিত নীলাম্বৰৰ পুত্ৰ চন্দ্ৰশেখৰে কবি হেম সৰস্বতী ৰচিত *হৰ-গৌৰী-সম্বাদ* নামৰ পুথি পাঠ কৰি শুনোৱাৰ ঘটনাটোৱেও উক্ত কথা দৃঢ়ভাৱে প্ৰতিপন্ন কৰে। বেণুধৰ শৰ্মা [১৯৬৬ ঃ ১৫৪]-ৰ মতে খ্ৰীষ্টজন্মৰ ৪০০ বছৰমানৰ পূৰ্বৰে পৰাই ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত বসবাস কৰি থকা আৰ্যভাষীসকলে তুলাপাত ব্যৱহাৰ কৰিব জানিছিল। এই কথা ঠিক যে তুলাৰে কাগজ তৈয়াৰ কৰা পদ্ধতি ভাৰতবৰ্ষত তাতোকৈও বহু আগৰে পৰাই প্ৰচলিত আছিল। কিন্তু, সেয়ে হ'লেও, এই পৰম্পৰাৰ কথা অসমীয়া 'তুলাপাত' শব্দটোৱেহে ৰাখি থৈছে। এতিয়াও অসমৰ কোনো কোনো বয়সস্থ লোকে কাগজক তুলাপাত বুলিয়েই কয়। পুণি কালত অসমীয়া মানুহে অকল যে তুলাৰে তৈয়াৰী পাতত লিখন-কাৰ্য সম্পাদন কৰিছিল লিখিছিল তেনে নহয়; তেওঁলোকে বাঁহৰ কামি, মাদুৰি বনৰ নিচিনা দীঘল আৰু তাতোকৈ অলপ বহল এবিধ বন-পাত, ভূটিয়াই অনা ভুজপাত, সাঁচিপাত আদিতো লিখন-কাৰ্য সম্পাদন কৰিছিল। কেতিয়াবা আকৌ জন্তুৰ ছাল, তামোলৰ ঢকুৱা আদিও এই কামৰ বাবে ব্যৱহাৰ কৰা হৈছিল। পাণ্ডুলিপি লিখাৰ ক্ষেত্ৰত অৱশ্যে প্ৰধানকৈ সাঁচিপাত আৰু তুলাপাতৰ ব্যৱহাৰ চলিছিল। বিশেষকৈ ৰজাঘৰীয়া নথি-পত্ৰ তথা বুৰঞ্জী পুথি, ধৰ্মগ্ৰন্থ আৰু চিত্ৰ অঙ্কিত পুথি-পাঁজিবোৰ লিখিবলৈ সাঁচিপাত আৰু তুলনামূলকভাৱে কম মূল্যবান বুলি বিবেচিত পুথি আৰু ব্যক্তিগত দলিল আদি লিখিবলৈ তুলাপাত ব্যৱহাৰ কৰা হৈছিল।

পুৰণি কালত অসমত পুথি-পাঁজি নকল কৰিবৰ বাবে লিখক আৰু খনিকৰ নামৰ দুই শ্ৰেণীৰ লোক আছিল। তেওঁলোক অছিল উক্ত বিদ্যাত অতিশয় পাৰ্গত। ফলত তেওঁলোকৰ চাহিদা

কামতে নিজক নিয়োজিত কৰি ৰাখিব পাৰিছিল [ঠাকুৰীয়া ১৯৯০ ঃ ১৯৪]। ইয়াৰ বাবে তেওঁলোকে পাৰিশ্ৰমিক লাভ কৰিছিল আৰু সমাজেও তেওঁলোকক যথেষ্ট সম্মানৰ চকুৰে চাইছিল। পুথিৰ লিখকেও যথেষ্ট নিষ্ঠা সহকাৰে উক্ত কাৰ্যত নিজকে নিয়োজিত কৰিছিল। বহু সময়ত ৰজাঘৰীয়া কৰ পৰিশোধ কৰিব নোৱাৰি এনে লেখকে পুথিকে নকল কৰি দিয়াৰ দৃষ্টান্তও আছে। পুথিৰ শেষত 'ভীমেস্যাপি ৰণে ভঙ্গো মুনীনাঞ্চ মতিভ্ৰমঃ, যথা দৃষ্টং তথা লিখিতং লিখনে নাস্তি দূষণম' বুলি পুথি লিখোঁতে হ'ব পৰা দোষৰ বাবে ক্ষমা বিচাৰিবলৈকো তেওঁলোকে পাহৰা নাছিল।

সাঁচিগছৰ পৰা পাত তৈয়াৰ কৰা প্ৰক্ৰিয়াটো আছিল অতিশয় দীঘলীয়া আৰু কষ্টকৰ। ১৫/১৬ বছৰীয়া সাঁচিগছৰ বাকলি এৰুৱাই প্ৰথমে ধোঁৱাচাঙত শুকুৱাই লোৱা হয়। তাৰ পাছত খাৰণিত সিবোৰৰ খাৰ গুচাই পুনৰ শুকুওৱা হয়। এইবাৰ বাকলিবোৰ নিৰ্দিষ্ট আকাৰত কাটি কটাৰী বা অন্য কোনো চোকা অস্ত্ৰৰে চাঁচি-চুৰুকি মিহি কৰি পুনৰ শুকুওৱা হয়। তাৰ পাছত মাটিমাহৰ ৰস ঘঁহি হালধীয়া ৰং বোলাই পুনৰ শুকুৱাই ধাৰ থকা কটাৰীৰে চাঁচি বা অন্য কোনো ধাতুৰে ভালদৰে মোহাৰি চিকচিকীয়া কৰা হয়। ইমানখিনি পৰিশ্ৰমৰ পাছতহে লিখিবৰ বাবে উপযোগী একোখিলা পাত সাজু হৈ উঠে।[১] এই সময়তে পাতবোৰৰ ঠিক সোঁমাজত বিন্ধা একোটা কৰি লোৱা হয়, যাতে জৰী সুমুৱাই পুথিখন কটকটীয়াকৈ বান্ধি থ'ব পৰা যায় [শৰ্মা ১৯৬৬ ঃ ১৫৫, নেওগ ১৯৬৬ ঃ ৭৯-৮০]।

পুথি লিখিবৰ বাবে কাপ, মহীচুঙা, কুটনী, আঁকমাৰি আৰু বিন্ধনা আদি সঁজুলি ব্যৱহাৰ কৰা হৈছিল। কোমল বাঁহৰ লেকেচি, ঢেঁকীয়া নল-খাগৰি আদিৰ পৰা কাপ তৈয়াৰ কৰি লোৱা হৈছিল। চিঞাহীৰ তেতিয়াৰ নাম আছিল মহী আৰু চিঞাহী ৰখা পাত্ৰ, অৰ্থাৎ দোৱাতক বোলা

---

১. এই সম্পৰ্কে Sir Edward Gait-এ এনেদৰে লিখিছে,– "A tree is selected of about 15 or 16 years' growth and 30 to 35 inches in girth, measured about 4 feet from the ground. From this the bark is removed in strips, from 6 to 18 feet long, and from 3 to 27 inches in breadth. These strips are...dried in the sun for several days. They are then rubbed..., so as to facilitate the removal of the outer scaly portion of the bark. After this, they are exposed to the dew for one night. Next morning the outer layer of the bark (*nikari*) is carefully removed, and the bark proper is cut into pieces of a convenient size... These are put into cold water for about an hour, and the alkali is extracted, after which the surface is scraped smooth with a knife. They are then dried in the sun for half an hour and when, perfectly dry, are rubbed with a piece of burnt brick. A paste prepared from *matimah*...is next rubbed in and the bark is dyed yellow by means of yellow arsenic. This followed again by sun-drying, after which strips are rubbed as smooth as marble. The process is now complete, and the strips are ready for use."[1905 : 357]

হৈছিল মহীচুঙা বা মৈলাম। সাধাৰণতে চৰুৰ তলৰ ছাই বা বৰা-চাউলৰ ছাই, কেহৰাজ বনৰ ৰস, লোৱাচুৰ, গৰুৰ মূত, শিলিখা, আমৰ ছাল, জামুকৰ ছাল আদি বস্তু একলগে কেৰাহীত সিজাই মাটিৰ চৰু এটাত ভৰাই নিয়ৰত থৈ দিয়া হয়। এনে কৰাৰ পাছত চৰুটোৰ বাহিৰ ভাগত ঘামি ঘামি যি ৰস ওলায় তাৰ নামেই মহী। এই কাপ-মহীৰেই প্ৰাচীন অসমত অসংখ্য সাঁচিপতীয়া আৰু তুলাপতীয়া পুথি ৰচিত হৈছিল। কোনো কোনোৱে উল্লিখিত প্ৰণালীৰে তৈয়াৰী মহী-ৰসত কুচিয়াৰ তেজো মিহলাই লৈছিল বুলি জনা যায় [শৰ্মা ১৯৬৬ ঃ ১৫৫, নেওগ ১৯৬৬ ঃ ৮০]।

অসমত পুৰণি হাতে লিখা পুথিসমূহ ঘাইকৈ ৰজাঘৰ, সত্ৰ, নামঘৰ, মঠ-মন্দিৰ আৰু ডা-ডাঙৰীয়াৰ ঘৰত সংৰক্ষিত হৈছিল । সম্ভৱতঃ সেইবোৰ তেনে স্থানতেই লিখোৱাও হৈছিল। সত্ৰ আৰু মন্দিৰত ইয়াৰ পৃষ্ঠপোষকতা কৰিছিল ধৰ্মাধিকাৰসকলে। আনহাতে ৰজাঘৰত ইয়াৰ বাবে সুকীয়া ব্যৱস্থা আছিল। কমতাৰাজ দুৰ্লভনাৰায়ণ, কোচ ৰজা নৰনাৰায়ণ, আহোম স্বৰ্গদেৱ ৰুদ্ৰসিংহ, শিৱসিংহ, ৰাজেশ্বৰসিংহ আদি ৰজাৰ পৃষ্ঠপোষকতাত অসমত অনেক পুথি ৰচিত হোৱাটো সৰ্বজন বিদিত। আহোম ৰজাই পুথি সংৰক্ষণৰ বাবে গন্ধীয়া ফুকন নামৰ এজন বিষয়া নিয়োগ কৰিছিল। এইজনা ফুকনে গন্ধীয়া ভৰাঁলত পুথিবোৰ সংৰক্ষণ কৰি ৰাখিছিল। আহোম ৰজাৰ পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জী পুথিসমূহৰ কথা এই প্ৰসঙ্গত বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ বাহিৰেও অন্যান্য ৰজাঘৰীয়া নথি-পত্ৰও গন্ধীয়া ফুকনৰ দায়িত্বতে সংৰক্ষিত হৈছিল। মঠ-মন্দিৰসমূহত প্ৰাচীন সংস্কৃত গ্ৰন্থ, ব্যাকৰণ-শাস্ত্ৰ, ভাগৱত-পুৰাণ আদি সংৰক্ষিত হৈছিল। আনহাতে সত্ৰ আৰু নামঘৰসমূহত বৈষ্ণৱ ধৰ্মৰ সৈতে সম্পৰ্কিত ধৰ্মীয় গ্ৰন্থসমূহ ৰখা হৈছিল। ডা-ডাঙৰীয়াৰ পৰিয়ালসমূহত সংৰক্ষিত পুথিৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল– কীৰ্তন, দশম, নামঘোষা, আদি যামল, বিবিধ পুৰাণ, ৰত্নাৱলী আদি। আকৌ কোনো কোনো ব্যক্তিৰ হাতত, বিশেষকৈ বেজালি কৰি ফুৰা লোকৰ হাতত মন্ত্ৰ-পুথি আৰু তাৰ লগে লগে চিকিৎসা-বিদ্যাৰ পুথি থকাটোও এই ক্ষেত্ৰত লেখত ল'ব লগীয়া [ঠাকুৰীয়া ১৯৯০ ঃ ১৯৬]।

পুৰণি পুথিবোৰৰ কিছুমানত চিত্ৰ অঙ্কন কৰা হৈছিল। এনে সচিত্ৰ পুথিবোৰৰ কিছুমানত মাজত উৎকৃষ্ট চিত্ৰকলাৰ নিদৰ্শন পোৱা যায়। সাধাৰণতে ৰজা, ৰাজকোঁৱৰ, ডা-ডাঙৰীয়াসকলৰ নিৰ্দেশত পুথি চিত্ৰায়িত হৈছিল যদিও, বহু সময়ত লেখক বা নকলকাৰৰ নিজৰ ইচ্ছাৰ বাবেও ছবি অঙ্কিত হৈছিল। এনে পুথিৰ ভিতৰত সুকুমাৰ বৰকাথৰ *হস্তীবিদ্যাৰ্ণৱ* বিশেষভাৱে উল্লেখযোগ্য। সাধাৰণতে পুথিৰ অঙ্গসজ্জা কৰিবৰ বাবে চিত্ৰশিল্পী নিয়োগ কৰা হৈছিল। চিত্ৰকৰে চিত্ৰৰ বাবে নিৰ্দিষ্ট কৰি থোৱা ঠাইত ছবি আঁকিছিল। কেতিয়াবা নকলকাৰে নিজেও চিত্ৰ আঁকিছিল। আকৌ কেতিয়াবা পুথিৰ ভিতৰত চিত্ৰ নিদি পাতটোৰ চাৰিওকাষে দিয়া হৈছিল । এনেদৰে পাতৰ চাৰিওকাষে চিত্ৰ আঁকা পুথিবোৰক 'লতা কটা পুথি' বোলা হয়। চিত্ৰ থকা পুথিবোৰত বিভিন্ন ৰঙৰ সমাহাৰ ঘটা দেখা যায়। সেয়ে হ'লেও, আটাইবোৰ ৰঙৰ ভিতৰত হালধীয়া আৰু সেউজীয়া ৰঙৰ গাঢ়তা অধিক। নানান প্ৰাকৃতিক দুৰ্যোগতো সামান্যতম পৰিৱৰ্তনো নঘটা এই ৰংবোৰ প্ৰস্তুত

কৰাৰ প্ৰণালী কেনে আছিল সেই কথা এতিয়া জনা নাযায়।[২]

পুৰণি অসমত পুথি নকল কৰিবলৈ লেখাৰু নামৰ এক বিশেষ শ্ৰেণীৰ লোক আছিল। সংখ্যাত তাকৰ হোৱা হেতুকে তেওঁলোকৰ কামৰ চাহিদা আছিল অতি বেছি। প্ৰায় ক্ষেত্ৰতে একোজন লিখকে নিৰ্দিষ্ট গ্ৰন্থ একোখন নকল কৰাৰ কামতে নিজক ব্যস্ত ৰাখিব লাগিছিল। অন্য পুথি লিখিবলৈ তেওঁলোকে আহৰি নাপাইছিল [Bhuyan 1930 : xv]। মন কৰিব লগীয়া যে তেওঁলোকে এই কাম পৰম যত্নেৰে কৰিছিল। ইয়াৰ বাবে তেওঁলোকক পুথিৰ আকাৰ অনুসৰি একোসাজ কাপোৰ আৰু নগদ টকা সভক্তিৰে দান কৰা হৈছিল [শৰ্মা ১৯৬৬ ঃ ১৫৬]। লিখা শেষ হোৱাৰ পাছত সেই পুথি গৃহস্থই যত্ন সহাকৰে কাপোৰেৰে মেৰিয়াই কাঠৰ বাকচত থৈ দিছিল আৰু তাক অতিশয় পৱিত্ৰ সম্পদৰূপে গণ্য কৰি সযতনে সংৰক্ষণ কৰিছিল। মুঠতে উল্লিখিত ঘটনাবোৰে পুৰণি অসমত সকলো শ্ৰেণীৰ মানুহৰ পুথি লিখোৱা আৰু সংৰক্ষণ কৰাৰ প্ৰতি বিশেষ আগ্ৰহ আছিল বুলি প্ৰমাণ দিয়ে। সেই হেতুকেই অসমীয়া মানুহৰ শতকৰা প্ৰায় পঁচিশটা পৰিয়ালত হাতে লিখা পুথি আজিও সংৰক্ষিত হৈ থকা দেখা যায়। ধৰ্মশাস্ত্ৰৰ উপৰি ব্যৱহাৰিক পুথিবোৰকো আজিও মানুহে সমানেই মৰ্যাদা দি অতিশয় পৱিত্ৰ বস্তু বুলি ভক্তি সহকাৰে চোৱা-চিতা কৰা দেখা যায়। আনকি ঘৰৰ সা-সম্পত্তি ভাগ-বটোৱাৰা কৰোঁতে পুৰণি পুথি-পাঁজিকো সম্পত্তিৰূপে গণ্য কৰাৰ নিয়মো ঠায়ে ঠায়ে প্ৰচলিত।

অসমৰ অন্যান্য অঞ্চলৰ দৰে ইতিহাস প্ৰসিদ্ধ হাজো অঞ্চলতো বিভিন্ন পুথি-পাঁজি ৰচনা কৰাৰ এক সুস্থ পৰম্পৰা বহু পুৰণি কালৰে পৰাই চলি আছিল। বিশেষকৈ এই অঞ্চলটো বিভিন্ন ধৰ্মৰ পীঠস্থান স্বৰূপ হোৱা হেতুকে ইয়াত বহুল পৰিমাণে ধৰ্মশাস্ত্ৰ ৰচিত হৈছিল বুলি ভাবিবৰ থল

---

২. এই সম্পৰ্কে সূৰ্যকুমাৰ ভূঞাই এনেদৰে মন্তব্য কৰিছে,– "The skill of a painter was generally requisitioned to decorate the labours of penmanship. The scribe was sometimes a painter himself; and if not, a regular painter supplemented the work of the transcriber by sketching appropriate pictures on spaces left blank for the purpose. The epics were generally illustrated, specially those prepared for the entertainment of princes, nobles and the principal Gosāins. When pictures could not be inserted, illuminated margins occasionally made up the deficiency… The pictures are available in all combinations of colours, the most prominent of them being yellow and green. The formulas of the colours, which are so fast, have now been practically forgotten." [1930 : xvii]

আছে। কিন্তু প্ৰাকৃতিক দুৰ্যোগ; এন্দুৰ, নিগনি আৰু অন্যান্য পোক-পৰুৱাৰ উৎপাত; অন্ধবিশ্বাস আদিৰ হেতু ভালেমান পুথি নষ্ট পালে। এতিয়াও যিখিনি পুথি কোনোবা পীঠস্থানত অথবা কোনো ব্যক্তি বিশেষৰ হাতত নাইবা কোনো পৰিয়ালত সুৰক্ষিত কিংবা অসুৰক্ষিত অৱস্থাত আছে তাৰ এক আলেখ-লেখ এই ক্ষুদ্ৰ গৱেষণা-আঁচনিৰ জৰিয়তে ল'ব বিচৰা হৈছে।

## হাজো অঞ্চলৰ ভৌগোলিক অৱস্থান

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে গুৱাহাটী পৌৰ নিগমৰ পশ্চিম সীমাত দুখন মফচলীয়া ক্ষুদ্ৰ চহৰ আৰু সাতাইশখন ৰাজহ গাঁৱেৰে বৰ্তমানৰ হাজো অঞ্চল অৱস্থিত। ইয়াৰ চাৰি সীমা এনেদৰে নিৰ্ধাৰণ কৰা হৈছে ঃ উত্তৰত কুৰিজিনি নদী, চাউলখোৱা উপনদী আৰু বৰম্বে পাহাৰ; দক্ষিণত ব্ৰহ্মপুত্ৰ নদ; পূবত আজ্ঞাঠুৰি পাহাৰ আৰু পশ্চিমত মোৱা নদী। ভৌগোলিকভাৱে ই ২৬০ ১০´ উত্তৰ অক্ষাংশৰ পৰা ২৬০ ২৯´ ৩০´´ উত্তৰ অক্ষাংশলৈ আৰু ৯১০ ২৬´ ৫০´´ পূব অক্ষাংশৰ পৰা ৯১০ ৪১´ পূব দ্ৰাঘিমাংশলৈ বিস্তাৰিত। ইয়াৰ বিস্তৃতি পূবা-পশ্চিমাকৈ প্ৰায় ২২·০২ কিঃ মিঃ আৰু উত্তৰা-দক্ষিণাকৈ ১৯·২ কিঃ মিঃ। আকৃতিত ই গোলাকাৰ [ডেকা ১৯৯৯ ঃ ১]। গোটেই অঞ্চলটো নদ-নদী, পাহাৰ-পৰ্বত, বিল আৰু পিতনিৰে ভৰা।

## ঐতিহাসিক আৰু সাংস্কৃতিক পটভূমি

হাজো নামটোৰ আঁতি-গুৰি সম্পৰ্কে কেইবাটাও মত আছে। লোক-সমাজত প্ৰচলিত এক জনশ্ৰুতি অনুসাৰে একালত মুনিসমাজে এই অঞ্চলত যোগ আচৰিছিল। কিন্তু কিবা কাৰণত তেওঁলোক যোগভ্ৰষ্ট হ'ল। ফলত আটায়ে 'হত যোগ' বুলি চিঞৰা হেতুকে তাৰে পৰা হাজো নামৰ উৎপত্তি হ'ল। আন এক জন প্ৰবাদ মতে শাক্যমুনি বুদ্ধৰ এই হাজোতেই মহাপৰিনিৰ্বাণ ঘটিছিল।[৩] বুদ্ধৰ মহাপৰিনিৰ্বাণত তেওঁৰ শিষ্যসকলে শোকত কাতৰ হৈ 'হ-অ-জু' বা 'হা-জু' (সূৰ্য ডুব গ'ল) বুলি চিঞৰিছিল বাবে সময়ত তাৰে পৰা হাজো হ'ল। আকৌ আন এক জনশ্ৰুতি মতে ইয়াত থকা পোৱামক্কাৰ দৰগাহলৈ আহিলে মুছলমানসকলৰ 'হজ' কৰাৰ লেখীয়া ধৰ্ম হয়। গতিকে 'হজ'-ৰ পৰাই হাজো নামৰ সৃষ্টি হৈছে। এক ঐতিহাসিক মত অনুসাৰে পুৰণি কালত এই ঠাইডোখৰ মেচ ৰজা হজ বা হাজুৰ ৰাজধানী আছিল। গতিকে হজ বা হাজোৰ নামানুসাৰেই ইয়াৰ নাম হাজো হ'ল [দাস ১৯৮৩ ঃ ১-২]। ফ্ৰান্সিছ বুছানন [১৯৩০ ঃ ]-ৰ মত অনুসাৰে কমতাপুৰৰ

---

৩· Umesh Chandra Talukdar [1957]-এ তেওঁৰ *The Place of Mahaparinirbbana of Gautam Buddha* নামৰ পুস্তিকাখনত বিভিন্ন তথ্যৰ সহায়ত বুদ্ধৰ মহাপৰিনিৰ্বাণ কুশীনৰ অৰ্থাৎ হাজোত হোৱা বুলি যুক্তি সহকাৰে দেখুৱাইছে।

ৰজা নীলাম্বৰক সিংহাসনচ্যুত কৰাৰ পাছত চন্দন আৰু মোহন নামৰ দুগৰাকী ভাই-ককায়ে মাত্র আঠোটা বছৰৰ বাবে কমতাপুৰৰ পৰা প্ৰায় ত্রিশ মাইল উত্তৰে মৰলাৱাস নামৰ ঠাইত ৰাজধানী পাতি শাসন কার্য চলাইছিল। সেই সময়ত মুছলমান শাসনৰ আওতাত নপৰা কামৰূপৰ  কিছু অংশত এক ধৰণৰ অৰাজকতা চলিছিল আৰু এইবোৰ ঠাইত ভিন ভিন জনগোষ্ঠীৰ শাসন চলিছিল। এই সকলৰ ভিতৰত সম্ভৱতঃ কোচসকলেই আছিল সবাতোকৈ শক্তিশালী। তেওঁলোকৰো কেইবাগৰাকী স্বাধীনচিতীয়া মুখীয়াল আছিল। পাছলৈ তেওঁলোক হাজো নামৰ মুখীয়ালগৰাকীৰ নেতৃত্বত একগোট হৈছিল। অৱশেষত হাজোৰ নেতৃত্বতে কামৰূপত এক শক্তিশালী সাম্রাজ্য ঠন ধৰি উঠিছিল। এই হাজোৰ নামানুসাৰেই আলোচ্য অঞ্চলটিৰ নাম হাজো হোৱাটো অসম্ভৱ নহয়।

ভাষাতত্ত্ববিদ বাণীকান্ত কাকতিয়ে [1941 : 56] আকৌ হাজো (পাহাৰ) নামটোত তিবৃত-বৰ্মী ঠালৰ বড়ো ভাষাৰ প্ৰভাৱ লক্ষ্য কৰিছে। উল্লেখযোগ্য যে বড়ো ভাষাত 'হা' মানে মাটি, আৰু 'গ্‌জৌ'-ৰ অৰ্থ– ওখ। গতিকে 'হা' আৰু 'গ্‌জৌ' লগ হৈ হাজো শব্দৰ সৃষ্টি হৈছে আৰু ইয়াৰ অৰ্থ হৈছে ওখ ঠাই বা পাহাৰীয়া ঠাই [দাস ১৯৮৩ ঃ ২]।

ওপৰত উল্লেখ কৰি অহা মতামতবোৰৰ ভিতৰত মেচ ৰজা হজ বা হাজুৰ নামেৰে ঠাইখনৰ নাম হাজো হোৱা মতটো অধিক নিৰ্ভৰযোগ্য যেন লাগে। অধুনা পৰ্যন্ত প্ৰাপ্ত লিখিত সমলবোৰ বিচাৰ কৰি চালেও দেখা যায়,  ১৫শ-১৬শ খ্ৰীঃৰ পূৰ্বে হাজো নামৰ উল্লেখ পাবলৈ নাই। আনহাতে মেচ নৃপতি হজ বা হাজুৰ সময় খ্ৰীঃ ১৫শ শতিকা বুলি বিভিন্ন তথ্যৰ আধাৰত অনুমান কৰা হৈছে। গতিকে হজ বা হাজুৰ পৰা হাজো হোৱাটো অধিক নিৰ্ভৰযোগ্য যেন লাগে [১৯৮৩ ঃ ২]।

ঐতিহাসিক তথ্যই এই কথাৰ সাক্ষ্য দিয়ে যে পুৰণি কামৰূপ ৰাজ্য আহোমসকলৰ নিয়মিত প্ৰশাসনৰ ভিতৰুৱা নাছিল। ইয়াৰ ব্যৱস্থাপনা  আসাম ৰাজ্যৰ উপনিবেশৰ দৰে আছিল [চলিহা ১৯৯১ ঃ ৪০]। আহোম ৰজাৰ গুৱাহাটীত থকা বৰফুকনজনাই ইয়াক এদনীয়াকৈ শাসন কৰিছিল। গতিকে আহোমসকলৰ ৰাজত্বকালত তেওঁলোকৰ ৰাজ্য 'আসাম'-ৰ লগত কামৰূপৰ বিশেষ আৱেগিক সম্পক নাছিল। আনহাতে কোচ ৰজাসকলেও ইয়াক এদনীয়াকৈ শাসন কৰিব পৰা নাছিল। অৰ্থাৎ এই ভূখণ্ড বিভিন্ন সময়ত বিভিন্ন প্ৰশাসকৰ অধীনত থাকিব লগীয়া হৈছিল। ইয়াৰ পৰিণতি স্বৰূপে কামৰূপৰ ভাষা-সংস্কৃতিয়ে এক সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছিল। বৃহত্তৰ কামৰূপ ৰাজ্যৰ অন্যতম অঙ্গ হিচাপে স্বাভাৱিক কাৰণতে হাজো অঞ্চল ইয়াৰ ব্যতিক্রম নহয়।

বিশ্বসিংহ প্ৰতিষ্ঠিত কোচ ৰাজ্য নৰনাৰায়ণ আৰু তেওঁৰ  সুযোগ্য ভাতৃ চিলাৰায়ৰ দিনত পশ্চিমে কৰতোৱা নদীৰ পৰা পূবে বৰনদীলৈকে বিস্তৃতি লাভ কৰে। পৰৱৰ্তী সময়ত নৰনাৰায়ণে

ৰাজ্যখন দুভাগ কৰি পশ্চিম ভাগ কোচবেহাৰ নামেৰে নিজ পুত্ৰ লক্ষ্মীনাৰায়ণক দিয়ে আৰু পূব-খণ্ডত ভতিজাক ৰঘুদেৱক ৰজা পাতে। পূবে বৰনদীৰ পৰা পশ্চিমে সোণকোষ পৰ্যন্ত বিস্তৃত এই পূবৰ খণ্ডটোকে কোচহাজো নাম দি হাজোক ৰাজধানী হিচাপে লৈ ৰঘুদেৱ নাৰায়ণে শাসন কৰিবলৈ লয়। কিন্তু দুয়োজনা ৰজাৰ প্ৰবল বিৰোধৰ ফল স্বৰূপে ১৫৩৪ শকত (১৮১২ খ্ৰীঃ) এই ৰাজ্য মোগলৰ হাতলৈ যায় [ভূঞা ১৯৩০ ঃ ১৯] আৰু চৈয়দ আবু বক্কৰক ইয়াৰ শাসনভাৰ অৰ্পণ কৰা হয়। মোগলে হাজোৰ পৰা গুৱাহাটীলৈ ৰাজধানী স্থানান্তৰ কৰে। ১৬৩৫ খ্ৰীঃত আহোমসকলে হাজো অধিকাৰ কৰে যদিও, ১৬৩৯ খ্ৰীঃত সম্পন্ন চুক্তি অনুসাৰে হাজোৰ শাসনভাৰ পুনৰ মোগলৰ হাতলৈ যায় আৰু বৰনদী হয়গৈ মোগল আৰু আহোম ৰাজ্যৰ সীমা। আহোমসকলে বৰনদীৰ পৰা ধনশিৰি পৰ্যন্ত ভূমিভাগত প্ৰথমতে বলিনাৰায়ণক (প্ৰথমগৰাকী দৰঙী ৰজা) আৰু তাৰ পাছত তেওঁৰ পুতেক সুন্দৰনাৰায়ণক ৰজা পাতে। এইখণ্ডৰ নামেই দৰং ৰাজ্য [চলিহা ১৯৯১ ঃ ১৮]। অৱশেষত ১৬৭১ খ্ৰীঃত শৰাইঘাটত হোৱা যুদ্ধত মোগল বাহিনী সম্পূৰ্ণৰূপে পৰাস্ত হোৱাৰ পাছৰে পৰা হাজোৰ অধিকাৰ আহোমে লাভ কৰে।

মুঠতে প্ৰায় ২০ বছৰ কাল কামৰূপত মোগল ফৌজদাৰ বা থানাদাৰৰ আমোল চলে। অৱশ্যে পৰৱৰ্তী সময়ত মাজৰ তিনিটামান বছৰ বাদ দি প্ৰায় ১৩৪ বছৰ কাল আহোম ৰাজপ্ৰতিনিধি বৰফুকনৰ আমোল চলে। তাৰ পাছত এই ৰাজ্য বৃটিছৰ অধীনলৈ যায় [১৯৯১ ঃ ২৬-২৭]। মোগল আমোলৰ তাৎপৰ্যপূৰ্ণ ঘটনাটো হৈছে শ্বেখ ইব্ৰাহিম কাড়োৰীয়ে কৰা ভূমি বন্দৱস্তি। কাড়োৰিয়ে সমস্ত নামনি অসমক প্ৰশাসনৰ সুবিধাৰ্থে পৰগণা, মহল, তপা আদিত ভাগ কৰি লৈছিল। এইবোৰৰ ভিতৰত 'ক্সবে হাজো', অৰ্থাৎ কোচ হাজোৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মোগল ফৌজদাৰসকলে কৰা মাটি বন্দবস্তি– পৰগণা, তহছিল, মহল আদি বৰফুকন তথা বৃটিছ আমোললৈকে প্ৰায় একেই আছিল। মাত্ৰ সেই ব্যৱস্থাৰ ওপৰত বৰফুকনে 'পাইক' আৰু 'খেল' প্ৰথা জাপি দিছিল। বৃটিছৰ দিনত এই পৰগণাবোৰকে মৌজালৈ ৰূপান্তৰিত কৰা হৈছিল।

নৰনাৰায়ণে ভাগ কৰা কোচবেহাৰ আৰু কোচ-হাজো ৰাজ্যৰ বিৰোধ, মোগলৰ সৈতে কোচসকলৰ যুঁজ আৰু শেষত আহোম ৰজাৰ সৈতে মোগলৰ এশ বছৰীয়া ৰণ,– এই সমস্ত ঘটনাৰ সাক্ষী আছিল কামৰূপ ৰাজ্য। অৰ্থাৎ, এই অঞ্চলটোক সেই সময়ৰ Buffer state বুলিব পাৰি [১৯৯১ ঃ ২৭-২৮]। নৰনাৰায়ণে ভাগ কৰা কোচবেহাৰ আৰু কোচ-হাজো ৰাজ্যৰ বিৰোধ, মোগলৰ সৈতে কোচসকলৰ যুঁজ আৰু শেষত ইতিহাসৰ এই ঘটনাৱলীৰ পৰা এই কথা সহজে অনুমান কৰিব পাৰি যে কামৰূপ ৰাজ্য এদনীয়াকৈ কোনো প্ৰশাসনৰ ভিতৰুৱা নাছিল। কোচ, মোগল, আহোম আৰু শেষলৈ বৃটিছসকল,– আটায়ে ইয়াৰ শাসন-কাৰ্য স্থানীয় মাতব্বৰ চৌধাৰী, পাটোৱাৰী, ঠাকুৰীয়া আদিৰ সহযোগত চলাইছিল [১৯৯১ ঃ ৪০-৪১]। মোগলৰ ভূমিকেন্দ্ৰী আৰু

আহোমৰ শ্ৰমকেন্দ্ৰী– এই দুই পৰস্পৰ বিৰোধী নীতিৰ প্ৰয়োগৰ ফলত কামৰূপী প্ৰজাৰ মাজত যি অসন্তুষ্টিয়ে দেখা দিছিল, তাক বৰফুকনসকলে স্থানীয় নেতৃত্ব চৌধাৰী, পাটোৱাৰী আৰু ঠাকুৰীয়াসকলৰ সহায়ত চম্ভালি ৰাখিছিল। ॥আনকি বৃটিছৰ আমোলতো একে ব্যৱস্থাই বাহাল আছিল।[৪] আহোম ৰজাই লিখোৱা বিভিন্ন ফলি আৰু পত্ৰসমূহৰ আৰম্ভণিতে "... কামৰূপ দেসৰ বড়ুআ ও বড়কায়স্থ ও চৌধাৰী ও পটোআৰি ও তালুকদাৰ ও গয়ৰহ..."[৫] বুলি সম্বোধন কৰা কাৰ্যয়ো উক্ত ধাৰণাকে দৃঢ় কৰে। ফৌজদাৰসকলৰ আমোলত এই স্থানীয় নেতৃবৃন্দ আছিল মোগলৰ মিত্ৰ, বৰফুকনৰ সময়ত বৰফুকনৰ মানুহ আৰু বৃটিছৰ শাসন কালত এওঁলোক আছিল বৃটিছৰ পৰম ভক্ত। গতিকে সেই সময়ত কামৰূপৰ শাসন-যন্ত্ৰটোৰ মূল গাঁথনিটো স্থানীয় মাতবৃৰ শ্ৰেণীটোৱেহে ধৰি ৰাখিছিল বুলি সহজেই পতিয়ন যাব পাৰি [ ১৯৯১ ঃ ৪১]। এতিয়াৰ কামৰূপ জিলাৰ হাজো অঞ্চলটোও তাৰ ব্যতিক্ৰম নাছিল। সেইবাবে এই অঞ্চলৰ সাংস্কৃতিক তথা সামাজিক জীৱনত স্পষ্টভাৱে কিছু ভিন্ন প্ৰকৃতিৰ এক আঞ্চলিক ৰূপ লক্ষ্য কৰা যায় । মন কৰিব লগীয়া কথা যে মোগলসকলে প্ৰতিবাৰেই হাজোত কোঠ মাৰি লৈহে অসম আক্ৰমণৰ সূচনা কৰিছিল।

সি যি কি নহওক মহাপৌৰাণিক কালৰে পৰা বৰ্তমান পৰ্যন্ত পৱিত্ৰ স্থান বা আন কথাত ধৰ্মক্ষেত্ৰ হিচপে হাজোৱে বিশেষ গুৰুত্ব লাভ কৰি আহিছে। কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, মধ্যযুগীয় বৈষ্ণৱ চৰিত পুথি আদি সকলোতে হাজোৰ নাম অতিশয় শ্ৰদ্ধা সহকাৰে লোৱা হৈছে। বৈষ্ণৱ যুগৰ বিশিষ্ট কবি অনন্ত কন্দলিয়ে হাজোৰ নাম এনেদৰে লৈছে ঃ

হাজো হেন নাম পৱিত্ৰ উত্তম  
থান কামৰূপ মাজে ।

---

৪· "The pergunahs of Kamrup, that had been reduced to the common system of Mogul finance, remain in the same state under the government of Assam. Each pergunah is let for one to five years to a Chaudhuri, who agrees to pay a certain rent ... and whose office is no sort hereditary. He lets all the lands, that are not given to Payiks for service, and that have not been granted for pious purposes... He also acts as an officer of police; ... Over every four or five manors (Gangs) the Chaudhuri appoints a Talukdar, who is paid in land. In each manor he also appoints a chief (Thakuri) to collect the rent, and Thakuri is assisted by a messenger named Tarui." [Hamilton 1940 : 34-35]

৫· প্ৰবীণ চন্দ্ৰ দাসে [১৯৮৩ ঃ ৫৮] *পুণ্যভূমি হাজো*-ত উল্লেখ কৰা লক্ষ্মীসিংহ প্ৰদত্ত "হয়গ্ৰীৱ মাধৱৰ বড়দেউৰীক দিয়া ৰাজপত্ৰ"-ৰ পৰা উদ্ধৃত।

আহোম ৰজাদিনীয়া বুৰঞ্জী পুথিসমূহতো তীৰ্থস্থান আৰু ৰাজনৈতিক ক্ষেত্ৰ হিচাপে হাজোৰ গুৰুত্বৰ বহু উল্লেখ পোৱা যায়। এনেকি মোগল শাসনকৰ্তাসকলেও হাজোৰ ধৰ্মীয় গুৰুত্বক বিশেষ সন্মান দিছিল আৰু ইয়াত অৱস্থিত তীৰ্থস্থানসমূহৰ কোনো ক্ষতি সাধন কৰা নাছিল [দাস ১৯৮৩ ঃ ৫]।

মোগল ফৌজদাৰসকলৰ শাসন কালতে ১৬৫৭ খ্ৰীঃত হাজোৰ গৰুড়াচল পাহাৰৰ শিখৰত মুছলমানসকলৰ পৱিত্ৰ তীৰ্থ পোৱামক্কা দৰগাহ স্থাপিত হয়। গিয়াচুদ্দিন আউলিয়া নামৰ পীৰ এগৰাকীৰ সমাধিভূমিত দিল্লীশ্বৰ ছাহজাহানৰ পুত্ৰ আবুল গাজী চুজাউদ্দিনে এই মছজিদটো নিৰ্মাণ কৰে। লোক প্ৰৱাদ অনুসাৰে পৱিত্ৰ মক্কাৰ পৰা এপোৱা মাটি আনি এই মছজিদ নিৰ্মাণ কৰা হেতুকে ইয়াৰ নাম পোৱামক্কা হয়।

হাজো পঞ্চতীৰ্থৰূপে জনাজাত। ইয়াত হয়গ্ৰীৱ-মাধৱ, কেদাৰেশ্বৰ, কামেশ্বৰ, কমলেশ্বৰ আৰু গণেশ– এই পাঁচখন তীৰ্থভূমি থকা বাবেই এই নাম দিয়া হৈছে। ইয়াৰ ভিতৰত হয়গ্ৰীৱ-মাধৱত বিষ্ণুৰ আৰু গণেশ মন্দিৰত শিৱপুত্ৰ গণপতিৰ পূজা-অৰ্চনা চলে। আনহাতে কেদাৰ, কামেশ্বৰ আৰু কমলেশ্বৰ মহাযোগী শিৱৰ পূজা-অৰ্চনাৰ ঠাই। উল্লিখিত মন্দিৰকেইটাৰ উপৰি হাজোত দুৰ্গামন্দিৰ, গোকৰ্ণ, বিকৰ্ণ, সৰগদুৱাৰ, অপূৰ্ণভৱ ইত্যাদি ভালেমান পুণ্যধাম অৱস্থিত। হাজো নগৰৰ পূব দিশে লখাইতৰা (পুঠিমাৰী) নদীৰ পাৰত মহাপুৰুষ মাধৱদেৱ প্ৰতিষ্ঠিত ধোপৰগুৰি সত্ৰই নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সাক্ষ্য বহন কৰি আছে। এই ধৰ্মস্থান সমূহৰ উৎপত্তি সম্বন্ধে বিভিন্ন আখ্যান তথা কিংবদন্তি জনসাধাৰণৰ মাজত অদ্যাৱধি প্ৰচলিত। তদুপৰি, সিবোৰৰ পূজা-অৰ্চনাৰ নিৰ্দিষ্ট বিধি-ব্যৱস্থাও আছে। তীৰ্থস্থানসমূহৰ সৈতে সম্পৰ্কিত নানান উৎসৱ-পাৰ্বনো হাজো অঞ্চলত বৰ আড়ম্বৰেৰে পালন কৰা হয়।[৬]

হিন্দু মুছলমানৰ উপৰি বৌদ্ধ মতাৱলম্বীসকলেও হাজোক তেওঁলোকৰ তীৰ্থক্ষেত্ৰ বুলি অতিশয় পৱিত্ৰ জ্ঞান কৰে। তেওঁলোকৰ ধাৰণা মতে হাজো বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ স্থান। কোনো কোনো পণ্ডিতে হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰটো অতীতত বৌদ্ধ মন্দিৰ আছিল বুলি দাবী কৰে। হাজোলৈ প্ৰতি বছৰে শীতকালত ভূটান, তিব্বত এনেকি চীন দেশৰ পৰা বৌদ্ধসকলৰ আগমনে আৰু হয়গ্ৰীৱ-মাধৱ মন্দিৰত তেওঁলোকৰ আৰাধ্য দেৱতা 'মহামুনি'-ৰ পূজা-অৰ্চনাই উক্ত কথাকে সমৰ্থন কৰে [Talukdar 1957 : 14]। হিন্দু, বৌদ্ধ আৰু ইছলামৰ অপূৰ্ব সমন্বয়

---

৬· হাজোৰ বিভিন্ন তীৰ্থস্থানৰ পূজা-বিধিৰ বিশদ বিৱৰণৰ বাবে প্ৰবীণ চন্দ্ৰ দাস [১৯৮৩]-ৰ *পুণ্যভূমি হাজো* গ্ৰন্থ দ্ৰষ্টব্য।

ঘটা হেতুকেই হাজোক উক্ত তিনি ধৰ্মৰ ত্ৰিবেণী-সঙ্গম বোলা হৈছে। নক'লেও চলে, হাজো অঞ্চলত অৱস্থিত বিভিন্ন তীৰ্থস্থান তথা মঠ-মন্দিৰসমূহে আহোম ৰাজশক্তিৰ সাহায্যত ঠন ধৰি উঠিবলৈ সুযোগ পায়। মুঠতে কোচ, আহোম আৰু মোগল– এই তিনিওটা ৰাজশক্তিৰ পৃষ্ঠপোষকতাত হাজোৱে অসমৰ সাংস্কৃতিক ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে [দাস ১৯৮৩ ঃ ৬-৭]।

ওপৰত উল্লেখ কৰি অহা অনুকুল পাৰিপাশ্বিকতাৰ হেতু পুৰণি কালত হাজো অঞ্চলত পুথি-পাঁজি লিখা আৰু নকল কৰাৰ এক সুস্থ বৌদ্ধিক পৰম্পৰাৰ সৃষ্টি হৈছিল। এই অঞ্চলৰ প্ৰায়বোৰ পৰিয়ালতে সাঁচিপতীয়া, তুলাপতীয়া বিভিন্ন ধৰ্মশাস্ত্ৰ, তন্ত্ৰ-মন্ত্ৰ, পশু আৰু মানুহৰ চিকিৎসা, ঔষধ-পাতি ইত্যাদি বিষয়ৰ পুথি আছিল বুলি ক্ষেত্ৰ-অধ্যয়নৰ পৰা জানিব পৰা গৈছে। কিন্তু পৰৱৰ্তী কালত পুথি-সংৰক্ষণৰ উপযুক্ত জ্ঞানৰ অভাৱ আৰু ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাহীনতা, ধৰ্মীয় বাধা, অন্ধবিশ্বাস ইত্যাদি কাৰণত সেইবোৰৰ বেছিভাগেই কালৰ গৰাহত হেৰাই গ'ল। আটাইতকৈ ডাঙৰ কথা উনবিংশ শতিকাত ছপাশালৰ আৱিস্কাৰে সাঁচিপতীয়া, তুলাপতীয়া পুথিৰ আৱশ্যকতা প্ৰায় নোহোৱা কৰিলে। পুৰণি হাতেলিখা পুথিৰ বাবে ই এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিল। ফলত সমাজত পুৰণি পুথিৰ মোল বুজোঁতা লোক লাহে লাহে নাইকিয়া হৈ আহিল। কোনো কোনোৱে অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ মূল্যবান পুথিসমূহ পানীত উটুৱাই দি দায়িত্বৰ পৰা মুক্ত হোৱা বুলি ভাবিলে। বৰ্তমান যিখিনি পুথি মজুত আছে সেইখিনিৰো সৰহভাগেই অযত্নপালিত, সম্পূৰ্ণ পাঠ পাবলৈ নাই। ইয়াৰ পৰিণতি স্বৰূপে কোনেও গম নোপোৱাকৈয়ে অসমৰ জাতীয় জীৱনৰ কেতবোৰ গুৰুত্বপূৰ্ণ ঐতিহাসিক তথ্যৰো হয়তো অৱলুপ্তি ঘটিল। এই ক্ষুদ্ৰ গৱেষণা-আঁচনিখনৰ মূল উদ্দেশ্য হ'ল,– কালৰ গৰাহত ঐতিহ্যমণ্ডিত হাজো অঞ্চলৰ পাহৰণিৰ গৰ্ভত লীন হ'বলৈ ধৰা আপুৰুগীয়া পুথি-পাঁজিসমূহ যথাসম্ভৱ উদ্ধাৰ কৰি সেইবোৰৰ বিষয়ে একোটাহঁত বিৱৰণ দাঙি ধৰা। আপুৰুগীয়া পুথিৰ ঐতিহ্য পোহৰলৈ অনাটোৱেই এই ক্ষুদ্ৰ গৱেষণা-আঁচনিখনৰ ঘাই তাৎপৰ্য। এই অনুসাৰে ক্ষেত্ৰ-অধ্যয়নৰ জৰিয়তে প্ৰাপ্ত পুথিসমূহ বিভিন্ন শিতানত ভাগ কৰি শৃংখলাবদ্ধভাৱে একোটা বিৱৰণ দিয়াৰ চেষ্টা কৰা হৈছে।

একোটা জাতিৰ ইতিহাস নিৰ্ণয়ত পুৰণি পুথি-পাঁজিৰ অধ্যয়নে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। কাৰণ, গৌণ বুলি বিবেচিত হ'লেও, জাতীয় সাহিত্যৰ ইতিহাস অধ্যয়নৰ ই এক গুৰুত্বপূৰ্ণ সমল। একোটাহঁত জাতিৰ অপুদ্‌ঘাটিত অনেক তথ্য এনে আপুৰুগীয়া পুথি-পাঁজিৰ মাজত লুকাই থকাটো নিতান্তই সম্ভৱ। এই ক্ষুদ্ৰ গৱেষণা-আঁচনিখনৰ জৰিয়তে সাধ্যানুসাৰে অঞ্চলটোত ক্ষেত্ৰ-অধ্যয়ন কৰি পুৰণি আপুৰুগীয়া পুথি-পাঁজিৰ তথ্য আহৰণ কৰা হৈছে। ইতিমধ্যে যিখিনি পুথি-পাঁজি উদ্ধাৰ হ'ল সেয়াই সৰ্বশেষ বুলিব নিশ্চয় নোৱাৰি। ভৱিষ্যৎ গৱেষণাই আৰু ইয়াৰ

৪৪০৭

উপৰি আৰু অনেক তথ্য পোহৰলৈ আনিব। গতিকে এই ক্ষুদ্ৰ গৱেষণা-আঁচনিত বাদ পৰি যোৱা তথ্যসমূহ বৃহৎ গৱেষণা-আঁচনিৰ জৰিয়তে উদ্ধাৰ কৰি ভৱিষ্যতৰ গৱেষক-পণ্ডিতে অসমীয়া জাতিৰ মহৎ উপকাৰ সাধিব বুলি আশা কৰাটো নিশ্চয় অমূলক নহ'ব।

## গৱেষণীয় পদ্ধতি

এই ক্ষুদ্ৰ গৱেষণা-আঁচনিখনত ব্যৱহৃত সকলোখিনি তথ্য ক্ষেত্ৰ-অধ্যয়নৰ জৰিয়তে সংগৃহীত হৈছে। এই ক্ষেত্ৰত নিৰ্দিষ্ট প্ৰপত্ৰ এখন ব্যৱহাৰ কৰা হৈছে। বেছিভাগ ক্ষেত্ৰতে অধ্যয়নৰ পৰিসীমাৰ অন্তৰ্গত ঠাইসমূহলৈ নিজে গৈ প্ৰত্যক্ষভাৱে মানকীয়া পুথি পাঁজি চাই প্ৰপত্ৰখনত লিখি অনা হৈছে। কোনো কোনো ক্ষেত্ৰত অঞ্চলটোৰ কোনো নিৰ্দিষ্ট ব্যক্তিৰ সহায়তো মুখৰ তথ্য গোটাই অনা হৈছে। এনেদৰে সংগৃহীত পুথি-পাঁজিৰ তথ্যসমূহ নিৰ্দিষ্ট শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি সিবোৰৰ একোটা বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে। আলোচনাৰ সুবিধাৰ্থে তথা অধ্যয়নৰ শৃংখলাবদ্ধতাৰ খাতিৰত অতীতৰ 'কামৰূপ' আৰু 'প্ৰাগজ্যোতিষপুৰ' নাম দুটা ব্যৱহাৰ নকৰি সাধাৰণভাৱে 'অসম' নামেৰেই এই প্ৰাচীন ভূখণ্ডক সামৰি ল'বৰ চেষ্টা কৰা হৈছে।

গৱেষণা-আঁচনিখনৰ চূড়ান্ত প্ৰতিবেদনখনি লিপিবদ্ধ কৰাৰ ক্ষেত্ৰত প্ৰধানতঃ বৰ্ণনামূলক পদ্ধতিৰ আশ্ৰয় লোৱা হৈছে। উৎস নিৰ্দেশৰ ক্ষেত্ৰত আমেৰিকাৰ আধুনিক ভাষা-সংস্থা (Modern Language Association)-ৰ হাতপুথি *MLA Handbook*-ত বৰ্ণিত লেখক-তাৰিখ পদ্ধতি (Author-date system) বৰ্তমান সময়ত গৱেষণাৰ বাবে অধিক উপযোগী আৰু বিজ্ঞানসন্মত বুলি বিবেচিত হেতুকে ইয়াতো উক্ত পদ্ধতিকে মানি চলা হৈছে। অধ্যয়নৰ সুবিধাৰ বাবে ইংৰাজী উদ্ধৃতিৰ প্ৰয়োগৰ ক্ষেত্ৰত ৰোমান আখৰ আৰু অন্য ভাষাৰ উদ্ধৃতিত অসমীয়া আখৰ ব্যৱহাৰ কৰা হৈছে। পুৰণি পুথি তথা অন্যান্য গ্ৰন্থৰ নামত ইটালিক্‌ছ (Italics) আখৰ ব্যৱহাৰ কৰা হৈছে। শিৰোনামাত বৰ হাতৰ দিয়া হৈছে। আখৰ-জোঁটনিৰ ক্ষেত্ৰত প্ৰধানকৈ *হেমকোষ* আৰু *চন্দ্ৰকান্ত অভিধান*-কে অনুসৰণ কৰা হৈছে যদিও অসম প্ৰকাশন পৰিষদৰ আধুনিক অসমীয়া অভিধান আৰ সুমন্ত চলিহাৰ আধুনিক অসমীয়া শব্দকোষ নামৰ অভিধান দুখনো প্ৰয়োজন সাপেক্ষে আগত ৰখা হৈছে। অসমীয়া আখৰ-জোঁটনিত ঙ+ব্যঞ্জন আৰু ং-ৰ প্ৰয়োগ যিহেতু কিছু পৰিমানে শিথিল, এতেকে ইয়াতো সেই শিথিলতা ঠায়ে ঠায়ে দেখা যাব। গ্ৰন্থপঞ্জীখন অসমীয়া, ইংৰাজী আৰু অন্যান্য,– এই তিনিটা শিতানত ভগাই পূৰ্বোল্লিখিত লেখক-তাৰিখ পদ্ধতি অনুসাৰে প্ৰস্তুত কৰা হৈছে। গ্ৰন্থসমূহৰ প্ৰকাশ চনৰ ক্ষেত্ৰত এই অধ্যয়নত ব্যৱহৃত তাঙৰণৰ চনটো প্ৰথমে ব্যৱহাৰ কৰা হৈছে যদিও, তাৰ লগে লগে বন্ধনীৰ ভিতৰত প্ৰথম প্ৰকাশৰ চনটোও দিবলৈ যত্ন কৰা হৈছে। প্ৰতিবেদনৰ ক'তোৱেই লেখক বা প্ৰয়োজনবোধে উল্লিখিত অন্য কোনো ব্যক্তিৰ নামৰ আগত শ্ৰী, শ্ৰীমতী, ডক্টৰ আদি উপাধি উল্লেখ কৰা হোৱা নাই। গৱেষণাৰ শৃংখলাৰ খাতিৰতহে এনে কৰিবলগীয়া হৈছে, তেওঁলোকৰ প্ৰতি অৱমাননাৰ চিন্তা ইয়াত একোপধ্যেও জড়িত নহয়।

# প্ৰথম অধ্যায়

## শাক্ত-ধৰ্মৰ পুথি

বহু অতীতৰে পৰা হাজো অঞ্চলত শক্তি-উপাসনাৰ উমান পোৱা যায়। ইয়াৰ বিভিন্ন স্থানত ৰাজহুৱাভাৱে মনসা পূজা অনুষ্ঠিত কৰাৰ উপৰি, ব্যক্তি তথা পৰিয়াল বিশেষৰ ঘৰতো বলি-বিধান সহ এই পূজা অনুষ্ঠিত কৰাৰ পৰম্পৰা চলি আহিছে। তদুপৰি, চণ্ডীপূজা আৰু দুৰ্গা পূজাৰ প্ৰচলনো ইয়াত অতীতৰে পৰা হৈ আহিছে। শক্তি-উপাসনাৰ এনে অনুকূল পৰিৱেশৰ হেতুকেই এই অঞ্চলত চণ্ডী মাহাত্ম্য বিষয়ক পুথিৰ সংৰক্ষণ লক্ষ্য কৰা যায়। তলত এই বিষয়ক প্ৰাপ্ত পুথিসমূহৰ একোটি বিৱৰণ দিবৰ প্ৰয়াস কৰা হৈছে।

### ১নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীশ্ৰীচণ্ডী। |
| বিষয়বস্তু | ঃ | মাৰ্কণ্ডেয় পুৰাণৰ দেৱী-মাহাত্ম্যৰ আধাৰত ৰচিত। |
| ৰচক | ঃ | ৰঙ্গনাথ দ্বিজ। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| নকলৰ সময় | ঃ | ১৬৬৮ শক। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| পৃষ্ঠা সংখ্যা | ঃ | ১১০। |
| আৰম্ভণিৰ পদ | ঃ | জয় নমো ভাগৱতী দেৱী মহামায়া।<br>ভকতজনৰ বন্ধু সঙ্কৰৰ জায়া॥<br>পতিত পাৱনী মাতা অগতিৰ গতি।<br>হেন ভৱানীৰ পাৱে কৰিয়া প্ৰনতি॥ |
| অন্তিম শাৰী | ঃ | হেন জানি আক শুনিয়োক সৰ্ব্বজনে।<br>চণ্ডীৰ পয়াৰ সমাপতি এহিমানে॥<br>সোলস আঠসষ্টি সংখ্যক সকত।<br>সমাপতি ভৈলা পদ স্ৰাৱণ মাসত॥ |
| সংৰক্ষক | ঃ | হেমন্ত ডেকা, পচৰীয়া। |
| সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

পুথিখনি মাৰ্কণ্ডেয় পুৰাণৰ আধাৰত ৰচিত হৈছে। অৱশ্যে সেয়ে হ'লেও, কবিৰ মৌলিক

প্ৰতিভাৰ অলপো অভাৱ হোৱা নাই। আখৰ-জোঁটনিৰ ক্ষেত্ৰত উচ্চাৰণৰ পোনপটীয়া প্ৰভাৱ লক্ষ্য কৰা যায়। সাঁচিপাতত ৰচিত এই পুথিখনিৰ প্ৰতিটো পাত দীঘলে ৫৩ চেঃ মিঃ আৰু বহলে ২৪ চেঃ মিঃ। পদৰ সংখ্যা ৯১১টা। পুথিখনি ঘাইকৈ পয়াৰ ছন্দত ৰচনা কৰা হৈছে। উপমা, ৰূপক আদি কাব্যালংকাৰে ইয়াৰ শোভা বৰ্দ্ধন কৰিছে। যত্নৰ অভাৱত পুথিখনিৰ প্ৰায়বোৰ পাত নষ্ট হ'বলৈ ধৰা হেতুকে আখৰ চিনা কিছু কঠিন হৈ পৰিছে।

হাজো অঞ্চলত কেইবাখনো শাক্তধৰ্ম বিষয়ক পূজা-বিধিৰ পুথি পোৱা গৈছে। সেইবোৰৰ প্ৰায়ভাগেই সংস্কৃত ভাষাত ৰচিত। তেনে কেইখনমান পুথিৰ বিৱৰণ তলত দাঙি ধৰা হৈছে ঃ

২নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীশ্ৰীদুৰ্গা প্ৰদক্ষিণ স্তুতি । |
| বিষয়বস্তু | ঃ | দুৰ্গাপূজাত দুৰ্গাদেৱীক প্ৰদক্ষিণ কৰাৰ সময়ত কৰা স্তুতি । |
| ৰচক | ঃ | অজ্ঞাত। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| আৰম্ভণী শাৰী | ঃ | ওঁ দুৰ্গাং শিবাং শান্তিকৰীং ব্ৰহ্মাণীং ব্ৰহ্মণঃ প্ৰিয়াম।<br>সৰ্ব্বলোক প্ৰাণেত্ৰীঞ্চ প্ৰণমামি সদা শিবাম॥<br>মঙ্গলাং শোভণাং শুদ্ধাং নিস্কলাং পৰমাং কলাম।<br>বিশ্বেশ্বৰীং বিশ্ববন্দ্যাং চণ্ডীকাং প্ৰণমাম্যহং॥ |
| অন্তিম শাৰী | ঃ | প্ৰচণ্ডে চণ্ডমুণ্ডাবে মুণ্ডমালা বিভুষং।<br>নমস্তুৰ্ভ্যুং নিশুম্ভাৰে শুম্ভভীকাৰিনী॥<br>ইতি দুৰ্গা প্ৰদক্ষিণ স্তুতিঃ সমাপ্তাঃ॥ |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| পৃষ্ঠা সংখ্যা | ঃ | ৩১। |
| সংৰক্ষক | ঃ | কেদাৰেশ্বৰ মন্দিৰ, হাজো । |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

বৃটিছ-কাগজত ৰচিত এই পুথিখনিৰ দীঘ ৩৩ চেঃ মিঃ আৰু প্ৰস্থ ১১ চেঃ মিঃ। পুথিখনিৰ প্ৰতিটো পৃষ্ঠাত ১২ টাকৈ শাৰী আছে।

৩নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীশ্ৰীদুৰ্গাপূজাৰ অধিবাস বিধি। |
| বিষয়বস্তু | ঃ | দুৰ্গাপূজা আৰম্ভ হোৱাৰ পূৰ্বে কৰা অধিবাসৰ নিয়ম। |
| ৰচক | ঃ | কৃষ্ণৰাম ন্যায়বাগীশ ভট্টাচাৰ্য্য। |
| ৰচনাৰ সময় | ঃ | ১৩৯০ সন (বাংলা)। |
| লিপিকাৰ | ঃ | প্ৰসন্ন প্ৰসাদ ভাগৱতী। |
| আৰম্ভণী শাৰী | ঃ | ওঁ নমো গণেশায়॥ শ্ৰীশ্ৰীদুৰ্গায়ৈ নমঃ॥ অথ অধিবাস বিধি॥ |
| অন্তিম শাৰী | ঃ | জিত্বা নিশাচৰ পুৰী পুনৰাগতস্য তন্মঙ্গলং ভবতু মে বিজয়ায় নিত্যম॥ |
| ভাষা | ঃ | সংস্কৃত, অসমীয়া লিপি। |
| পৃষ্ঠা সংখ্যা | ঃ | ৫৬। |
| সংৰক্ষক | ঃ | প্ৰসন্ন প্ৰসাদ ভাগৱতী, বামুণটোলা, হাজো। |
| সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

বৃটিছ-কাগজত লিখিত এই পুথিখনিৰ দীঘ ৩৪ চেঃ মিঃ আৰু প্ৰস্থ ১৪ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ১২ টাকৈ শাৰী পোৱা যায়। দুৰ্গাদেৱীৰ পূজাৰ পূৰ্বদিনা পালিবলগীয়া নিয়ম-বিধিসমূহ এই পুথিখনিত বৰ্ণিত হৈছে।

৪নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীশ্ৰীদুৰ্গাসহস্ৰ নাম। |
| বিষয়বস্তু | ঃ | দুৰ্গাদেৱীৰ স্তুতি। |
| ৰচক | ঃ | অজ্ঞাত। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| আৰম্ভণী শাৰী | ঃ | ওঁ নমো দুৰ্গায়ৈ॥ ঈশ্বৰ উবাচ॥ |
| অন্তিম শাৰী | ঃ | অস্পষ্ট। |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| পৃষ্ঠা সংখ্যা | ঃ | ২৪। |

| | | |
|---|---|---|
| সংৰক্ষক | ঃ | হেমন্ত শৰ্মা/ শ্ৰী হলধৰ শৰ্মা শাস্ত্ৰী, গেৰুৱা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

পুথিখনি সাঁচিপাতত ৰচিত। ইয়াৰ প্ৰতিটো পাতৰ দীঘ ১৮ চেঃ মিঃ আৰু প্ৰস্থ ৫ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ৫/৬ টাকৈ শাৰী আছে। দুৰ্গাদেৱীৰ বিভিন্ন নাম লৈ তেওঁক আৰাধনা কৰাৰ বাবে ব্যৱহৃত শাস্ত্ৰ।

## ৫নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীশ্ৰীপদ্মকুমাৰী পূজা-বিধি। |
| বিষয়বস্তু | ঃ | পদ্মা অৰ্থাৎ মনসা দেৱীক পূজা কৰাৰ বিধি-ব্যৱস্থা। |
| লিপিকাৰ | ঃ | লক্ষ্মী দেৱশৰ্ম্মা। |
| সময় | ঃ | ১৮২৩ শক, ৮ শ্ৰাৱণ। |
| আৰম্ভণী শাৰী | ঃ | ওঁ নমো গণেশায়॥ অথ পদ্মকুমাৰী পূজা পদ্ধতিঃ॥ পুৰ্ব্বদিনে স্বস্তিবাচন পূৰ্ব্বকং ঘটং সংস্থাপ্য॥ গণেশং সম্পূজ্য॥ আদিত্যাদি নব গ্ৰহান্ দিগ্পালাঞ্চ সম্পূজ্য॥ সঙ্কল্প কুৰ্য্যাৎ॥ |
| অন্তিম শাৰী | ঃ | ওঁ গচ্ছ গচ্ছ পৰং স্থানং স্বস্থানং পৰমেশ্বৰী। আয়ুৰ্ব্বল যশোদত্বাধৰ্ম্মা সুখ সম্পদং ইতি পদ্মকুমাৰী বিধি সমাপ্ত॥ |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৯। |
| পুথিৰ গৰাকী | ঃ | ভবেশ শৰ্মা, গেৰুৱা। |
| প্ৰাপ্তিস্থান | ঃ | গেৰুৱা, হাজো। |
| সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত ৰচিত এই পুথিখন দীঘলে ৩৪ চেঃ মিঃ আৰু পথালিয়ে ৮ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ৮ টাকৈ শাৰী আছে। পুথিৰ মূল বিষয়বস্তু ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ শ্ৰীকৃষ্ণ জন্মখণ্ডত পোৱা যায়। বিধিখনিত 'ইতি শ্ৰীব্ৰহ্মবৈৱৰ্তে শ্ৰীকৃষ্ণ জন্মখণ্ডে স্তোত্ৰং সম্পূৰ্ণং' বুলি উল্লেখ আছে।

# দ্বিতীয় অধ্যায়

## শৈৱ-ধৰ্মৰ পুথি

শক্তি উপাসনাৰ দৰে শিৱৰ আৰাধনায়ো বহুকাল অতীতৰে পৰা হাজো অঞ্চলক প্ৰভাৱিত কৰি আহিছে। উল্লেখযোগ্য যে হাজোৰ পঞ্চতীৰ্থৰ কেদাৰ, কামেশ্বৰ আৰু কমলেশ্বৰ— এই তিনিখন মহাপীঠত মহাযোগী শিৱৰ পূজা-অৰ্চনা কৰা হয় [প্ৰতিবেদনৰ উপক্ৰমণিকা পৃঃ ৯ দ্ৰষ্টব্য]। এনে কাৰণতে অঞ্চলটোত শৈৱধৰ্ম বিষয়ক পুথি পোৱা গৈছে। তলত তেনে পুথিৰ একোটিকৈ বিৱৰণ দিয়া হৈছে ঃ

### ৬নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | পদ্মপুৰাণ (ষোড়শ অধ্যায়)। |
| বিষয় বস্তু | ঃ | শিৱ-ৰাঘৱ সম্বাদ। |
| ৰচক | ঃ | উল্লেখ নাই। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৬৮। |
| নকলৰ সময় | ঃ | উল্লেখ নাই। |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| আৰম্ভণিৰ শাৰীঃ | | ওঁ শ্ৰী বিষ্ণৱে নমঃ॥ সূত উবাচ॥<br>অতঃপৰং প্ৰবক্ষামি গুহ্যং কৈবল্য মুক্তিদম্।<br>অনুগ্ৰহান্মহেশস্য ভবদুখৌঘভেষজম্॥ |
| অন্তিম শাৰী | ঃ | ইতি শ্ৰীপদ্মপুৰাণে শিবগীতামূপনিষৎ স্বব্ৰহ্মবিদ্যায়াং<br>যোগশাস্ত্ৰে শিবৰাঘব সম্বাদে মৌক্ষ নিৰূপণং নাম<br>ষোড়শোহধ্যায়ঃ॥ |
| সংৰক্ষক | ঃ | ভৱেশ শৰ্মা, গেৰুৱা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত লিখিত এই পুথিখনিত মুঠ ৩৪ টা পাত আছে। প্ৰতিটো পাত দীঘলে ৩৮ চেঃ মিঃ আৰু পুতলে ৭ চেঃ মিঃ। প্ৰতিটো পাতত ৬/৭ টাকৈ শাৰী আছে।

## ৭নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শিৱ-পূজা-বিধি। |
| বিষয়বস্তু | ঃ | মহাযোগী শিৱক পূজা-অৰ্চনা কৰাৰ পদ্ধতি। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| আৰম্ভণী শাৰী | ঃ | ওঁ নমঃ শিৱায়। অথ শিৱপূজা বিধি। অস্য সদাশিৱস্য বামদেৱ ঋষি। |
| অন্তিম শাৰী | ঃ | লিঙ্গাষ্টকবিদং পুণ্যং যয়ং পঠেৎ শিৱ সন্নিধা। শিৱলোকমবাপ্নোতি শিবেনাপযোদতে। |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৮। |
| সংৰক্ষক | ঃ | শম্ভুদত্ত শৰ্মা, বামুণটোলা, হাজো। |
| সংগ্ৰাহক | ঃ | মীনাক্ষি দাস, হাজো। |

পুথিৰ বিৱৰণ ঃ

বৃতিছ-কাগজত ৰচিত এই পুথিখনি দীঘলে ৯ চেঃ মিঃ আৰু প্ৰস্থ ৪ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত থকা শাৰীৰ সংখ্যা ৬। শিৱক উপাসনা কৰাৰ আটাইবোৰ নিয়ম এই পুথিত বৰ্ণিত আছে।

## ৮নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীৰুদ্ৰযামল (শিৱামৃত খণ্ড)। |
| বিষয় বস্তু | ঃ | মহাযোগী শিৱৰ প্ৰাৰ্থনা। |
| ৰচক | ঃ | উল্লেখ নাই। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৮। |
| নকলৰ সময় | ঃ | উল্লেখ নাই। |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| আৰম্ভণী শাৰী | ঃ | ওঁ নমো গণেশায়॥ দেব উবাচ॥ |
| অন্তিম শাৰী | ঃ | ইতি শ্ৰীৰুদ্ৰযামলে শিৱামৃত খণ্ডে শিৱসহস্ৰ নামং সমাপ্তং। |

সংৰক্ষক ঃ ভৰেশ শৰ্মা, গেৰুৱা, হাজো।

তথ্য সংগ্ৰাহক ঃ মীনাক্ষি নায়ক, হাজো।

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত লিখিত এই পুথিখনিত মুঠ ১৮ টা পাত আছে। প্ৰতিটো পাত দীঘলে ২০ চেঃ মিঃ আৰু পুতলে ৪ চেঃ মিঃ। প্ৰতিটো পাতত ৩ টাকৈ শাৰী আছে।

# তৃতীয় অধ্যায়

## বৈষ্ণৱ ধৰ্মৰ পুথি

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমত যি ভক্তি-আন্দোলনৰ পাতনি মেলিছিল তাৰ প্ৰভাৱে ঐতিহ্যমণ্ডিত হাজো অঞ্চলকো সামৰি লৈছিল। মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত স্থানীয় ধোপৰগুৰি সত্ৰই সেই কথাৰ প্ৰমাণ দাঙি ধৰে। এই আন্দোলনৰ অন্যতম অংশ হিচাপে অসমৰ বিভিন্ন স্থানত বৈষ্ণৱ ধৰ্মৰ সৈতে জড়িত পুথি-পাঁজি ৰচনা কৰাৰ এক পৰম্পৰা গঢ় লৈ উঠিছিল। হাজো অঞ্চলো স্বাভাৱিকতে তাৰ ব্যতিক্ৰম নাছিল। এনে কাৰণতে হাজো অঞ্চলত এক বুজন পৰিমাণৰ বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় পুথি ৰচিত হোৱাৰ প্ৰমাণ পোৱা গৈছে। এনে পুথিৰ ভিতৰত কীৰ্তন, দশম, নামঘোষা, ভাগৱতৰ বিভিন্ন স্কন্ধ, মহাভাৰতৰ বিভিন্ন পৰ্ব, গীতা আদিয়েই প্ৰধান। এনে পুথিৰ সৰহভাগেই সাঁচিপাত বা তুলাপাতত ৰচিত যদিও, দুই এখন পুথিত বৃতিছ-কাগজৰ ব্যৱহাৰো লক্ষ্য কৰা যায়। অৱশ্যে বেছিভাগ পুথিয়েই ইতিমধ্যে কালৰ বুকুত জাহ গৈছে। যিকেইখন পুথি উদ্ধাৰ কৰিব পৰা গৈছে তাৰ বিৱৰণ তলত দিয়া হ'ল ঃ

### ৯নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | কীৰ্তন। |
| বিষয় বস্তু | ঃ | কৃষ্ণভক্তিৰ মাহাত্ম্য প্ৰকাশক গীতিধৰ্মী কাব্য। |
| ৰচক | ঃ | শঙ্কৰদেৱ। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| নকলৰ সময় | ঃ | ১৭৩৮ শক, কাতি মাহত সমাপ্ত। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| মুঠ পৃষ্ঠা | ঃ | ১৫৪। |
| প্ৰথম ঘোষা | ঃ | শ্ৰীকৃষ্ণয়ে নমোঁ নমঃ।<br>জয় হৰি গোবিন্দ নাৰায়ণ ৰাম কেশৱ হৰি।<br>ৰাম ৰাম কেশৱ হৰি॥ |
| পদ | ঃ | প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপি সনাতন।<br>সৰ্ব্ব অবতাৰৰ কাৰণ নাৰায়ণ॥ (চতুৰ্বিংশতি অৱতাৰ) |
| অন্তিম ঘোষা | ঃ | মাধৱ বান্ধৱ উদ্ধাৰা বাপ।<br>কতনো সহিবো সংসাৰ তাপ॥ |

| | | |
|---|---|---|
| পদ | ঃ | বোলন্ত শুকে শুনা নৃপবৰ্য্য। |
| | | বাঢ়য় স্কন্ধৰ যিটো তাৎপৰ্য্য॥ |
| অন্তিম পদ | ঃ | মোহ নিদ্রা জাল লৱা চেতন। |
| | | কৃষ্ণৰ সেৱাত জতন॥ |
| | | সম্বৰে কৰা পৰলোক কাম। |
| | | ঘুষিয়ো ঘনে ঘনে ৰাম ৰাম॥৩৪৭ |
| সংৰক্ষক | ঃ | সুকিল মেধি ,ভৱাঁনীটোলা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত ৰচিত এই কীৰ্তন পুথিখনিত চতুৰ্বিংশতি অৱতাৰৰ পৰা তাৎপৰ্য্যলৈকে সম্পূৰ্ণ পাঠ পোৱা যায়। পুথিখনিৰ প্ৰতিটো পাত দীঘলে ৩৪ আৰু পথালিয়ে ৮ চেঃ মিঃ। উল্লেখযোগ্য যে পুথিখনিত শ্ৰীধৰ কন্দলিৰ ঘুনুচা কীৰ্তন খণ্ডটো ইয়াত সন্নিৱিষ্ট হোৱা নাই। সম্ভৱতঃ নকলকাৰগৰাকীয়ে শঙ্কৰদেৱৰ ৰচনা নোহোৱা হেতুকে উক্ত খণ্ডটো সন্নিৱিষ্ট কৰাৰ আৱশ্যকতা বোধ নকৰিলে। পুথিখনিৰ আখৰ-জোঁটনিত সংস্কৃতীয়া বৰ্ণবিন্যাসৰ পৰিৱৰ্তে প্ৰচলিত উচ্চাৰণৰ প্ৰভাৱহে লক্ষ্য কৰা যায়। পুথিখনিৰ শেষৰ ফালে '১৭৩৮ শক তাৰিক্ষ কাতিত কিৰ্ত্তন ঘোষা সমাপতং জথাদৃস্তং তথা লিখিতং লিখক নাস্তি দুখনং ভিমেচাপি ৰনেভঙ্গং মুনিনাঞ্চ মতিভ্ৰমং' বুলি উল্লেখ পোৱা যায়।

## ১০ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | নাম-ঘোষা। |
| বিষয় বস্তু | ঃ | বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক তত্ত্ব। |
| ৰচক | ঃ | মাধৱদেৱ। |
| লিপিকাৰ | ঃ | অজ্ঞাত |
| পৃষ্ঠা সংখ্যা | ঃ | ৬৮। |
| নকলৰ সময় | ঃ | উল্লেখ নাই। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | শ্ৰীকৃষ্ণয়ে নমো নমো ॥ শ্লোক॥ জে মুক্তামপি নিস্পৃহা প্ৰদিপদ প্ৰণামিন দান্দাজামস্থ্য় সমস্তে মস্তকমণিং কুৰ্ব্বন্তি জং সেৱনং তান ভক্তানমপি তাঞ্চ ভক্তং পৃয়ং শ্ৰীহৰি |

বন্দে সন্ততমার্থয়ং নদিবসং নৃতং সৰণ্যং ভজে॥ ছবি॥

মুক্তিত নিস্পৃহ জিতো সেই ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মনি নিজ ভকতৰ বৈস্য
ভজো হেন দেৱ জদুপতি॥

| | | |
|---|---|---|
| শেষ ঘোষা | ঃ | খেদ<br>এ ভাৰক ভাই ভজ ভগবন্ত ভক্তিভাৱে।<br>ভগবন্তক ভজিয়া পৰম গতি পাৱে॥ |
| অন্তিম পদ | ঃ | জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে।<br>এহু ৰস মাধৱ মুৰুখ মতি গাৱে॥ |
| ভণিতা | ঃ | হৰি গুন নাম ভাবিয়া পুৰুসে<br>ৰহয় হৰিৰ পাসে।<br>হৰিৰ চৰণ হৃদয়ে ধৰিয়া<br>কহয় মাধৱ দাসে॥ |
| প্ৰাপ্তিস্থান | ঃ | কুঁজা ঠাকুৰ নামঘৰ, ভৰাঁলী তৌলা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত লিখিত এই নামঘোষাখনত মুঠ ৩৪ টা পাত আছে। প্ৰতিটো পাত দীঘলে ৩২ চেঃ মিঃ আৰু পুতলে ১০ চেঃ মিঃ। পুথিখনি মূল সংস্কৃত শ্লোকেৰে আৰম্ভ কৰা হৈছে যদিও, পুথিৰ পাঠৰ সৈতে মূলৰ ভালে খিনি অমিল লক্ষ্য কৰা যায়। ছপা পুথিৰ পাঠৰ সৈতে ৰিজাই চালে কথাটো অধিক স্পষ্ট হয়। নকলকাৰৰ সংস্কৃত-ভাষাজ্ঞান কম হোৱাটো তাৰ কাৰণ হ'ব পাৰে। পুথিখনিৰ বানান-ৰীতিতো সংস্কৃতীয়া ৰীতিৰ অনুসৰণ সমূলি দেখা নাযায়।

## ১১ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | নাম-ঘোষা। |
| বিষয় বস্তু | ঃ | বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক তত্ত্ব। |
| ৰচক | ঃ | মাধৱদেৱ। |
| লিপিকাৰ | ঃ | অজ্ঞাত ? |
| পৃষ্ঠা সংখ্যা | ঃ | ৭০। |

নকলৰ সময় ঃ উল্লেখ নাই।

ভাষা ঃ পুৰণি অসমীয়া।

আৰম্ভণিৰ পদ ঃ শ্ৰীকৃষ্ণয়ে নমো নমঃ॥ শ্লোক॥ জে মুক্তায়পি নিস্পৃহঃ প্ৰদিপ্ৰদ প্ৰণামিল দানন্দ যামস্তে সমস্তে মস্তকমণি কুৰুবন্তেজং। কৃষ্ণন্ত চেবস্যে তান ভক্তান ভক্তি তাঞ্চ ভক্তং পৃয়ং শ্ৰীহৰি বন্দে সন্ততমাৰ্থয়ং নদিবসং নিত্যং সৰণ্যং ভজে॥ ঘোষা॥ ছবি॥

মুক্তিত নিৰ্স্পৃহা জিতো      সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মনি      নিজ ভকতৰ বৈস্য
ভজো হেন দেৱ জদুপতি॥

শেষ ঘোষা ঃ খেদ
এ ভাৱক ভাই ভজ ভগবন্ত ভক্তিভাৱে।
ভগবন্তক ভজিয়া পৰম গতি পাৱে॥

অন্তিম পদ ঃ জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে।
এহু ৰস মাধৱ মুৰুখমতি গাৱে॥

ভণিতা ঃ হৰি গুননাম      ভাবিয়া পুৰুসে
ৰহয় হৰিৰ পাসে।
হৰিৰ চৰণ      হৃদয়ে ধৰিয়া
কহয় মাধৱ দাসে॥

সংৰক্ষক ঃ সুকিল মেধি, ভৰাঁলী টোলা, হাজো।

তথ্য সংগ্ৰাহক ঃ মীনাক্ষি নায়ক, হাজো।

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত লিখিত এই নামঘোষাখনত মুঠ ৩৫ টা পাত আছে। প্ৰতিটো পাত দীঘলে ২৪ চেঃ মিঃ আৰু পুতলে ৮ চেঃ মিঃ। পুথিখনি মূল সংস্কৃত শ্লোকেৰে আৰম্ভ কৰা হৈছে যদিও, পুথিৰ পাঠৰ সৈতে মূলৰ ভালেখিনি অমিল লক্ষ্য কৰা যায়। ১০ নং পুথিৰ বিৱৰণত যিখিনি কথা লিখা হৈছে, এই পুথিখনিৰ ক্ষেত্ৰতো সেয়া কম বেছি পৰিমাণে প্ৰযোজ্য। ইতিমধ্যে ছপা হৈ ওলোৱা পণ্ডিত-সজ্জনৰ দ্বাৰা সুসম্পাদিত পাঠৰ সৈতে ৰিজাই চালে কথাটো স্পষ্ট হয়। পুথিখনিৰ বানান-ৰীতিৰ ক্ষেত্ৰতো পূৰ্বোল্লিখিত কথাই প্ৰযোজ্য। অৱশ্যে পুথিখনিৰ আখৰৰ গঢ় যে অতি সুন্দৰ এই কথা অস্বীকাৰ কৰিব নোৱাৰি।

১২ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | নাম-ঘোষা। |
| বিষয় বস্তু | ঃ | বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক তত্ত্ব। |
| ৰচক | ঃ | মাধৱদেৱ। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৫২। |
| নকলৰ সময় | ঃ | উল্লেখ নাই। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| সংৰক্ষক | ঃ | অচ্যুত ঠাকুৰীয়া। |
| তথ্যদাতা | ঃ | ৰঞ্জু ঠাকুৰীয়া। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত লিখিত এই খণ্ডিত নামঘোষাখনত বকলা সহ মুঠ ২৯ টা পাত আছে। ইয়াৰ প্ৰতিটো পাত দীঘলে ২২ চেঃ মিঃ আৰু পুতলে ৫/৬ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত পাঁচৰ পৰা সাতোটাকৈ শাৰী আছে। পুথিখনিত দুগৰাকী লেখকৰ হস্তাক্ষৰ পোৱা গৈছে। তদুপৰি পাতবোৰৰ আকাৰো একে নহয়। ছপা নাম-ঘোষা পুথিৰ সৈতে এই পুথিৰ পদৰ সংখ্যাৰো অমিল হোৱা দেখা যায়। পুথিখনিৰ কেইফাকিমান পদ এনে ধৰণৰ ঃ

ঐশ্বৰ্য্য ভোগৰ মদে মত্ত হুয়া ইশ্বৰত
পৰাম্মুখ ভৈল জিতো জন।
জেন জিন গাই সিতো দুৰ্ঘোৰ সংসাৰ মহা
পঙ্কে পৰি হোৱয় মগন॥
হৰি নাম ধ্বজ কৰি বেদ পন্থ পৰিহৰি
ফুৰে আতি পাসণ্ডসকল।
ইহ পৰলোক ভ্ৰস্ত হুয়া পেত পুসি মাত্ৰ
ফুৰে সিতো পৰম নিস্খল॥

*** *** ***

তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ন
তুমি নাথ মঞি নাথৱন্ত।
চৰণ চত্ৰৰ চায়া দিয়া দুৰ কৰা মায়া
কৰা দায়া মোক ভগৱন্ত॥

১৩ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীভাগৱতগীতা |
| বিষয় বস্তু | ঃ | কুৰুক্ষেত্ৰ যুদ্ধৰ পূৰ্বে ভক্ত অৰ্জুনৰ মোহ দূৰ কৰণাৰ্থে কৃষ্ণই প্ৰদান কৰা জ্ঞান যোগ, কৰ্ম যোগ, ভক্তি যোগ, সন্যাস যোগ ইত্যাদি বিষয়ক উপদেশ। |
| ৰচক | ঃ | গোবিন্দ মিশ্ৰ |
| লিপিকাৰ | ঃ | 'দামাৰাম বাপুৰ হস্তাক্ষৰে লিখিতং'। |
| পৃষ্ঠা সংখ্যা | ঃ | ৮৫। |
| নকলৰ সময় | ঃ | ১৭০২ শকৰ 'বৈসাগৰ কুৰি দিন জায়োতে গিতা পুস্তক সম্পূৰ্ণ সমাপত'। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | শ্ৰীকৃষ্ণয়ে নমো নমঃ। দুলড়ি।<br>প্ৰথমে গুৰুক নমস্কাৰ কৰু<br>সিৰ দিয়া চৰণত।<br>যাৰ উপদেশে জ্ঞানৰ প্ৰকাশে<br>গুচিলা অবিদ্যা যত॥ |
| অন্তিম পদ | ঃ | কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্ব্বলোক।<br>বোলা ৰাম কৃষ্ণ হৰি পাতেক চাৰোক॥ |
| ভণিতা | ঃ | কহয় গোবিন্দ মিশ্ৰে সুনা সৰ্ব্বলোক॥<br>অল্পমতি জানি নিন্দা নকৰিবা মোক॥<br>*** *** ***<br>জয় ৰাম কৃষ্ণ বুলি ঘোষা নিৰন্তৰ॥ |
| সংৰক্ষক | ঃ | স্বৰজনী কান্ত দাস, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত ৰচিত এই পুথিখনিৰ আকাৰ দীঘলে ৪২ চেঃ মিঃ আৰু বহলে ১১ চেঃ মিঃ। পুথিখনিত সৰ্বমুঠ ৪৩ টা পাত আছে। ইয়াৰে প্ৰতিটো পৃষ্ঠাত ১১টাকৈ শাৰী পোৱা যায়। পুথিৰ নকলকাৰে 'জথা দৃষ্টং তথা লিখিতং লেখকে নাস্তি দুসনং॥ ভিমেচোপি ৰণে ভঙ্গ মুনিনাঞ্চ মতিভ্ৰম॥' বুলি নিজৰ দায়-দোষ মৰিষণ কৰিবলৈ অনুৰোধ জনাইছে।

## ১৪ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীমদ্ভাগৱত গীতা। |
| বিষয় বস্তু | ঃ | কুৰুক্ষেত্ৰ মহাসমৰ আৰম্ভ হোৱাৰ আগমুহূৰ্তত অৰ্জুনৰ মোহ দূৰ কৰিবৰ বাবে কৃষ্ণই প্ৰদান কৰা জ্ঞানযোগ, ভক্তিযোগ, কৰ্মযোগ আদি বিষয়ক উপদেশ। |
| ৰচক | ঃ | গোবিন্দ মিশ্ৰ |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৬৮। |
| নকলৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | প্ৰথমে গুৰুক নমস্কাৰ কৰু<br>সিৰ দিয়া চৰণত।<br>যাৰ উপদেশে জ্ঞানৰ প্ৰকাশে<br>গুচিলা অবিদ্যা যত॥ |
| অন্তিম পদ | ঃ | কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্ব্বলোক।<br>বোলা ৰাম কৃষ্ণ হৰি পাতেক চাৰোক॥ |
| ভণিতা | ঃ | কহয় গোবিন্দ মিস্ৰে সুনা সৰ্ব্বলোক॥<br>অল্পমতি জানি নিন্দা নকৰিবা মোক॥ |
| সংৰক্ষক | ঃ | প্ৰবীণ চন্দ্ৰ দাস, লঙ্কেশ্বৰ, গুৱাহাটী। |
| তথ্য সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত ৰচিত এই পুথিখনিৰ আকাৰ দীঘলে ২৪ চেঃ মিঃ আৰু বহলে ৭ চেঃ মিঃ। পুথিখনিত সৰ্বমুঠ ৩৪ টা পাত আছে। ইয়াৰে প্ৰতিটো পৃষ্ঠাত ৮টাকৈ শাৰী পোৱা যায়। পুথিখনি মূল সংস্কৃতৰ পৰা কৰা বিশ্বাসযোগ্য অসমীয়া অনুবাদ। পুথিখন হাজো অঞ্চলৰ পৰা সংগ্ৰহ কৰি বৰ্তমান প্ৰবীণ চন্দ্ৰ দাসে নিজৰ ঘৰত ৰাখিছে।

## ১৫ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | ভাগৱত (দশমস্কন্ধ) |
| বিষয় বস্তু | ঃ | ভগবান কৃষ্ণৰ শৈশৱ-লীলা আৰু তেওঁৰ বিভিন্ন অলৌকিক কাৰ্যাৱলীৰ বিৱৰণ। |

| | | |
|---|---|---|
| ৰচক | ঃ | শঙ্কৰদেৱ। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৯৬। |
| নকলৰ সময় | ঃ | অজ্ঞাত। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | শ্ৰীকৃষ্ণয়ে নমো নমঃ।<br>জয় নমো জাদৱ মাধৱ জনাৰ্দ্দন।<br>জয় হৃষিকেস সদাশিৱ সনাতন॥<br>প্ৰাণত তাৰন নাৰায়ণ নিৰাকাৰ।<br>গুৰুৰ চৰনে কৌটী কৌটী নমস্কাৰ॥ |
| অন্তিম পদ | ঃ | জানি হৰি পাৱে ধৰা শুদ্ধ ভাৱে<br>অন্তৰে পাইলেক পৰা।<br>এড়ি আন কাম বোলা ৰাম ৰাম<br>সুখে ভবনদী তৰা॥ |
| ভণিতা | ঃ | মহাভাগৱত কথা দশম স্কন্ধৰ।<br>বিৰচিলা পদ কৃষ্ণ কিঙ্কৰে শঙ্কৰ॥ |
| প্ৰাপ্তিস্থান | ঃ | দামোদৰ গোসাঁই নামঘৰ, ভৰালী টোলা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

সম্পূৰ্ণ সাঁচিপাতত ৰচিত এই পুথিখনিত ৪৮ টা পাত অছে। প্ৰতিটো পাতৰ আকাৰ দীঘলে ৪১ চেঃ মিঃ আৰু বহলে ১৩ চেঃ মিঃ। একোটা পাতত ১১ৰ পৰা ১২ টাকৈ শাৰী সন্নিৱিষ্ট হৈছে। যত্ন সহকাৰে প্ৰতিপাল কৰা হেতুকে পুথিখনি আজিও নষ্ট নোহোৱাকৈ আছে।

## ১৬ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | ভাগৱত (চতুৰ্থ স্কন্ধ)। |
| বিষয় বস্তু | ঃ | দক্ষৰ যজ্ঞৰ পৰা পুৰঞ্জনৰ কাহিনী পৰ্যন্ত সংস্কৃত ভাগৱতৰ অসমীয়া পদ্যানুবাদ। |
| ৰচক | ঃ | অনিৰুদ্ধ দাস। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |

| | | |
|---|---|---|
| পৃষ্ঠা সংখ্যা | ঃ | ৯৮। |
| নকলৰ সময় | ঃ | অজ্ঞাত। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | জয় জয় কৃষ্ণ দৈত্যকুল ক্ষয়কাৰি।<br>তাৰিলা জিৱক যত অসাম্ভ নিবাৰি॥ |
| অন্তিম পদ | ঃ | হেন জানি সৰ্ব্বজন তেজি আন কাম।<br>পাতেক চাৰোক দাকি বোলা ৰাম ৰাম॥ |
| ভণিতা | ঃ | কহে অনিৰুদ্ধ পাপী মহামূঢ় মতি।<br>পুৰঞ্জন উপাখ্যান ভৈল সমাপতি॥ |
| প্ৰাপ্তিস্থান | ঃ | ধোপৰগুৰি সত্ৰ, হাজো। |
| সংৰক্ষক | ঃ | সুৰেন মহন্ত। |
| তথ্য সংগ্ৰাহক | ঃ | বিপুল মহন্ত, হাজো। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত ৰচিত এই পুথিখনিত ৪৯ টা পাত পোৱা গৈছে। প্ৰতিটো পাতৰ আকাৰ দীঘলে ১৬ চেঃ মিঃ আৰু বহলে ৫ চেঃ মিঃ। একোটা পাতত ১৪ টাকৈ শাৰী সন্নিৱিষ্ট হৈছে। পুথিখন অসম্পূৰ্ণ আৰু যত্নৰ অভাৱত পাতবোৰ উৰলি যাবলৈ ধৰিছে। পুথিখনৰ চাৰিওকাষে লতা অঙ্কিত কৰা আছে। উল্লেখযোগ্য যে ভাগৱতৰ এইটো স্কন্ধত দক্ষ প্ৰজাপতিৰ যজ্ঞ, দক্ষপুত্ৰী সতীৰ দেহত্যাগ, শিৱৰ দ্বাৰা দক্ষৰ যজ্ঞৰ বিনাশ আদি ঘটনাৰ উপৰি ধ্ৰুৱ, বেণ, পৃথু আৰু পুৰঞ্জনৰ কাহিনী সন্নিৱিষ্ট আছে।

## ১৭ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | মহাভাৰত (সভাপৰ্ব)। |
| বিষয় বস্তু | ঃ | যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ পৰা মগধৰাজ জৰাসন্ধ আৰু চেদিৰাজ শিশুপাল বধকে ধৰি পাশাখেল আৰু পঞ্চ পাণ্ডৱৰ বন-গমন পৰ্যন্ত ঘটনাৰ বিৱৰণ আছে। |
| ৰচক | ঃ | অনিৰুদ্ধ। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৫৬। |
| নকলৰ সময় | ঃ | জনা নাযায়। |

| | | |
|---|---|---|
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | জয় জয় গোপাল গোবিন্দ গোপিনাথ।<br>নোমো বাসুদেব চৰনত থয়া মাথ॥ |
| অন্তিম পদ | ঃ | ঘোৰ সংসাৰক তৰি জেবে জাইবা বিষ্ণুপুৰি<br>সত্বৰে এৰিয়ো আনকাম।<br>মন বুদ্ধি এক কৰি সভাসদসব বেঢ়ি<br>ডাকি সবে বোলা ৰাম ৰাম॥ |
| সংৰক্ষক | ঃ | হেমন্ত ডেকা, পচৰীয়া, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

দীঘলে ৪৭ চেঃ মিঃ আৰু পথালিয়ে ১৫ চেঃ মিঃ জোখৰ সাঁচিপাতত লিখা এই পুথিখনিৰ প্ৰতিটো পৃষ্ঠাত থকা শাৰীৰ সংখ্যা ১২। পুথিখনি অতি যত্নেৰে সংৰক্ষণ কৰি ৰখা বুলি সহজেই অনুমান কৰিব পাৰি। উল্লেখযোগ্য যে এই পুথিখনি কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ নিৰ্দেশত ৰচনা কৰা হৈছিল।

## ১৮ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | বঘাসুৰ বধ। |
| বিষয় বস্তু | ঃ | বনবাসৰ কালত পাণ্ডৱ আৰু বঘাসুৰ দৈত্যৰ মাজত হোৱা যুদ্ধৰ বিৱৰণ । |
| ৰচক | ঃ | ৰাম সৰস্বতী ওৰফে ভাৰত চন্দ্ৰ। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ২০৮। |
| নকলৰ সময় | ঃ | ১৮১৭ শকৰ ৮ ফাগুন, শুক্লপক্ষ, নৱমী তিথিত সমাপ্ত। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | ওঁ গণেশায়॥ সৰস্বত্যৈ নমঃ॥ গুৰুৱে নমঃ॥ দোলড়ি॥<br>জয় জয় কৃষ্ণ অৰিষ্ট মৰ্দ্দন<br>পুৰ্নব্ৰহ্ম মহেশ্বৰ।<br>খিতি ভাৰ নাসি জস প্ৰকাসিলা<br>মহাবিৰ পাণ্ডৱৰ॥ |

মেঘসম স্যাম পিতাম্বৰ ধৰ
গলে সোভে বনমালা।
সিৰত কীৰিটি নৰ ভূজ জিনি
কৰ্ণত কুণ্ডল ভালা॥

| | | |
|---|---|---|
| অন্তিম পদ | ঃ | জন্মে জন্মে তোমাৰ মই ভৃত্যৰ মই ভৃত্য। |
| | | তযু ভকতৰ সঙ্গে কৰিবোহো কৃত্য॥ |
| | | নমো নিত্য নিৰঞ্জন সৰণ দিয়োক। |
| | | তযু চৰণৰ তলে ৰাখিয়োক মোক॥ |
| | | লক্ষ্মিৰ বল্লভ প্ৰভু নাথ নাৰায়ণ। |
| | | নেড়িবাহা নাথ মোক জিৱন মৰণ॥ |
| | | এহি বৰ মাগো প্ৰভু নাই আন কাম। |
| | | সভাসদ লোকে ডাকি বোলা ৰাম ৰাম॥ |
| ভণিতা | ঃ | মাগয় ভাৰত চন্দ্ৰে সাধু সঙ্গে গতি। |
| | | নিজ ভৃত্য বুলি কিনি লৈয়ো লক্ষ্মীপতি॥ |
| সংৰক্ষক | ঃ | শম্ভুদত্ত শৰ্মা, বামুণ টোলা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

প্ৰাপ্ত পুথিসমূহৰ ভিতৰত আকাৰত এইখনেই সৰ্ববৃহৎ। দীঘলে ৪২ চেঃ মিঃ আৰু পথালিয়ে ১৫ চেঃ মিঃ জোখৰ সাঁচিপাতত লিখা এই পুথিখনিৰ প্ৰতিটো পৃষ্ঠাত থকা শাৰীৰ সংখ্যা ১২। পুথিখনিৰ প্ৰথমটো পৃষ্ঠাৰ চাৰিওকাষে লতা আঁকাটো এটা মন কৰিবলগীয়া বৈশিষ্ট্য। শৰ্মা-পৰিয়ালে পুথিখনি অতি যত্নেৰে সংৰক্ষণ কৰি ৰাখিছে। উল্লেখযোগ্য যে ৰাম সৰস্বতীয়ে এই পুথিখনি কোচ ৰজা মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত ৰচনা কৰিছিল।

## ১৯ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | গীতৰ পুথি। |
| বিষয় বস্তু | ঃ | বৈষ্ণৱ ধৰ্মৰ গীতৰ সংকলন। |
| ৰচক | ঃ | গোপাল চৰণ আৰু অন্যান্য। |
| পৃষ্ঠা সংখ্যা | ঃ | ১০। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |

| | | |
|---|---|---|
| প্ৰথম গীত | ঃ | আলো ভাই গোকুলে আনন্দ জয় জয়।<br>মিলিচ পৰম মহোদয়॥ |
| অন্তিম গীত | ঃ | গগনে গৰজে ঘন কোলে লৈয়া নাৰায়ণ।<br>চলে বোসুদেব ধীৰে ধীৰে।<br>দেখিআ সহস্ৰ নাগ আসে প্ৰভু নাৰায়ন<br>ফনায়ে ধৰিলা চত্ৰ সিৰে॥ |
| ভণিতা | ঃ | পুত্ৰৰ সন্তাপ তাপে প্ৰাণ ফুটি জাই।<br>কৃষ্ণৰ কিঙ্কৰে এহু গোপালে গাই॥ (প্ৰথম গীত)<br><br>কহয় মাধৱ মাই বৰি অগিয়ান। (অন্তিম গীত) |
| সংৰক্ষক | ঃ | খগেন চন্দ্ৰ দাস, ভৰাঁলীটোলা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

দীঘলে ২৭ চেঃ মিঃ আৰু পথালিয়ে ৭ চেঃ মিঃ জোখৰ সাঁচিপাতত লিখা এই পুথিখনিৰ প্ৰতিটো পৃষ্ঠাত থকা শাৰীৰ সংখ্যা ৯। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীতৰ পৰম্পৰা ৰক্ষা কৰি পৰৱৰ্তী কালৰ বৈষ্ণৱ কবিসকলে কৰা গীত ৰচনাৰ প্ৰয়াস এই গীতবোৰৰ মাজত পোৱা যায়। ইয়াত মাথো দুটি গীতৰ তথ্যহে সন্নিৱিষ্ট কৰা হ'ল।

# চতুৰ্থ অধ্যায়

## বৌদ্ধধৰ্মৰ পুথি

হাজো অঞ্চলত কেইবাখনো বৌদ্ধধৰ্ম সম্পৰ্কীয় পুথি পোৱা গৈছে। প্ৰাচীন হজোতে ভগবান বুদ্ধৰ মহাপৰিনিৰ্বাণ ঘটিছিল বুলি বৌদ্ধ মতাবলম্বীসকলে আজিও বিশ্বাস কৰে। এই অঞ্চললৈ বিশেষকৈ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ বিভিন্ন সময়ত অহা বৌদ্ধ পণ্ডিতসকলে তেওঁলোকৰ নিজৰ ভাষাত পুথি-পাঁজি ৰচনা কৰিছিল কিংবা তেনে পুথি লগত লৈ আহিছিল। অঞ্চলটিৰ পৰা তেনে কেইখনমান পুথি উদ্ধাৰ কৰিব পৰা গৈছে। তলত সেই পুথিকেইখনৰ আভাস দাঙি ধৰা হৈছে। কিন্তু নিৰ্দ্দিষ্ট ভাষা নজনা হেতুকে তাৰ পাঠোদ্ধাৰ সম্ভৱ নহ'ল।

### ২০ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | জনা নাযায়। |
| ৰচক | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৪৯। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | ভূটীয়া (লাচা)। |
| সংৰক্ষক | ঃ | প্ৰবীণ চন্দ্ৰ দাস, লঙ্কেশ্বৰ, গুৱাহাটী। |
| তথ্য সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

তুলাপাতত ৰচিত এই পুথিখনিৰ প্ৰতিটো পাত দীঘলে ২৬ চেঃ মিঃ আৰু পথালিয়ে ৭ চেঃ মিঃ। সংৰক্ষকৰ পৰা জানিবলৈ পোৱা মতে পুথিখনি হাজো অঞ্চলৰ পৰা সংগৃহীত।

### ২১ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | জনা নাযায়। |
| ৰচক | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখয়া | ঃ | ২৮। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | ভুটীয়া (লাচা)। |

| | | |
|---|---|---|
| সংৰক্ষক | ঃ | প্ৰবীণ চন্দ্ৰ দাস, লঙ্কেশ্বৰ, গুৱাহাটী। |
| তথ্য সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

তুলাপাতত ৰচিত এই পুথিখনিৰ প্ৰতিটো পাত দীঘলে ২৬ চেঃ মিঃ আৰু পথালিয়ে ৬ চেঃ মিঃ। সংৰক্ষক প্ৰবীণ চন্দ্ৰ দাসৰ পৰা জানিবলৈ পোৱা মতে এই পুথিখনিও হাজো অঞ্চলৰ পৰা সংগৃহীত।

## ২২ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | জনা নাযায়। |
| ৰচক | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ২৪। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | ভূটীয়া (লাচা)। |
| প্ৰাপ্তিস্থান | ঃ | প্ৰবীণ চন্দ্ৰ দাসৰ বাসগৃহ, লঙ্কেশ্বৰ, গুৱাহাটী। |
| সংৰক্ষক | ঃ | প্ৰবীণ চন্দ্ৰ দাস। |
| তথ্য সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

তুলাপাতত ৰচিত এই পুথিখনিৰ প্ৰতিটো পাত দীঘলে ৩৫ চেঃ মিঃ আৰু পথালিয়ে ৮ চেঃ মিঃ। এইখন পুথিও হাজো অঞ্চলৰ পৰাই উদ্ধাৰ কৰা হৈছে।

# পঞ্চম অধ্যায়

## ব্যৱহাৰিক পুথি

হাজো অঞ্চলত বিভিন্ন ৰোগৰ নিৰাময়কল্পে কিছুসংখ্যক বনৌষধিৰ পুথিৰ লগে লগে মন্ত্রপুথিও পোৱা গৈছে। এইবোৰক ব্যৱহাৰিক পুথি হিচাপে নামকৰণ কৰিব পাৰি। সাধাৰণতে এই মন্ত্রবোৰ ব্যাধি জৰা-ফুকা কৰিবলৈ ব্যৱহাৰ কৰা হয়। মন কৰিবলগীয়া যে ব্যাধি জৰা ওজাজনে মন্ত্র-পাঠৰ সমান্তৰালভাৱে বিহলঙনি, তুলসী আৰু অন্যান্য কেতবোৰ ঔষধি গুণযুক্ত গছৰ পাতৰে শৰীৰৰ নিৰ্দিষ্ট স্থানত, বিশেষকৈ ৰোগ হোৱা অঙ্গত লাহে লাহে কোবাই যায়। এই ক্ষেত্রত ব্যাধি জৰা ওজা বা বেজগৰাকী পৱিত্র হৈ থকাটো নিতান্তই জৰুৰী হিচাপে বিবেচিত। প্রসঙ্গ ক্রমে উল্লেখ কৰা সমীচীন হ'ব যে হাজো অঞ্চলৰ মুছলমান সমাজত এনে কেইটিমান মন্ত্র পোৱা গৈছে, য'ত ৰাম-কৃষ্ণ, পঞ্চ-পাণ্ডৱ আৰু বিভিন্ন দৈত্য-দানৱৰ উল্লেখ পোৱা যায়।

### ২৩ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | কাইথেলী মন্ত্র (সাপৰ বিষ জৰা মন্ত্র)। |
| বিষয় বস্তু | ঃ | লখীন্দাৰৰ সৰ্প-দংশনত মৃত্যু, বেউলাৰ সমুদ্র-যাত্রা আৰু চান্দো সদাগৰৰ লখীন্দাৰ সহ সাত পুত্রৰ পুনৰ্জীৱন লাভ। |
| ৰচক | ঃ | দুৰ্গাবৰ। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৩৬। |
| নকলৰ সময় | ঃ | ১৭৭৭ শক, কাতি মাহ। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | শ্রীকৃষ্ণয়ে নমঃ॥<br>প্রথমে প্রনাম কৰো দেৱ নাৰায়ণ।<br>তাত পাছে প্রণাম কৰো অনাদি ইস্বৰ॥<br>পদুমনি মায়ক প্রনামোহো হৰি। |
| অন্তিম পদ | ঃ | সাতগোটা পুত্র পাই মোহাৰঙ্গ ভৈলা।<br>কতো দিনয়ন্তৰে গুনিবে লাগিলা॥ |
| প্রাপ্তিস্থান | ঃ | অসমীয়া বিভাগ, সুৰেন দাস মহাদ্যিালয়, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | সূৰ্যকান্ত ভৰাঁলী, ধোপৰগুৰি,হাজো। |

পুথিৰ বিৱৰণ ঃ

পুথিখন বৃতিছসকলৰ দ্বাৰা তৈয়াৰী কাগজত নকল কৰি লোৱা হৈছে। বকলা সহ ১৯ টা পাতৰ প্ৰতিটো দীঘলে ২৮ চেঃ মিঃ আৰু পথালিয়ে ৯ চেঃ মিঃ। একোটা পাতত থকা শাৰীৰ সংখ্যা ৯। বকলা পিঠিত চৰাইৰ ঠেঙত ৰচি লগোৱাৰ চিত্ৰ থকাটো মন কৰিবলগীয়া। পুথিৰ ভিতৰ ভাগতো মানুহ আৰু চৰাইৰ ছবি অঙ্কিত হৈছে। সম্ভৱতঃ পাঁচালি কবি দুৰ্গাবৰে ৰচনা কৰা মনসা গীতৰ ভাটিয়ালি খণ্ডকে সাপৰ বিষ জাৰিবলৈ তৎকালীন বেজবিলাকে মন্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। যত্নৰ অভাৱত ধোঁৱা লাগি ইতিমধ্যে পুথিখনিৰ ভালে মান পাত বিৱৰ্ণ হৈ পৰিছে আৰু আখৰবোৰো অস্পষ্ট হৈছে।

## ২৪ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | সাপৰ মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | সাপে খুটিলে বিষ জাৰিবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ২৪। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | শ্ৰীকৃষ্ণএ নমো॥ ধনন্তৰিয়ে নমো॥<br>দুমুনি ফেটি চকৰী ফেটি মাটি ফেটি কলী ফেটি<br>জালপেহীয়া কোন পোকাই খলি তই বিহ নুমাই দি তই। |
| অন্তিম পদ | ঃ | আলিটো বান্ধিলো। জলত নি ৰাখিলো॥<br>ওই জলত সেই বিষ এৰি দিলো॥ সাপৰ মন্ত্ৰ সমাপ্ত॥ |
| প্ৰাপ্তিস্থান | ঃ | অসমীয়া বিভাগ, সুৰেন দাস মহাদ্যিালয়, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | সূৰ্যকান্ত ভৰালী, ধোপৰগুৰি,হাজো। |

পুথিৰ বিৱৰণ ঃ

তুলাপাতত ৰচিত এই পুথিখনিত মুঠ ৬ টা পাত আছে। ইয়াৰে প্ৰতিটো পাত দীঘলে ২১চেঃ মিঃ আৰু পথালিয়ে ৮ চেঃ মিঃ। একোটা পাতত ৬ টাকৈ শাৰী আছে। ভাষা প্ৰায়ে গদ্যধৰ্মী। বিভিন্ন সাপৰ নাম উল্লেখ থকাটো এই মন্ত্ৰটিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য।

## ২৫ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীনাৰানী নৰবেগীৰ মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | বিভিন্ন প্ৰকাৰৰ বিষ জাৰিবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ-পুথি। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১২। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | শ্ৰীকৃষ্ণয়ে নমো॥ ধনন্তৰিয়ে নমো॥<br>নৈৰাকাৰ পুৰুসসকল গৈলা মৰি।<br>নিৰঞ্জন পুৰুষে সীহতক দিলা খৰি॥<br>সাত দিনা সাত ৰাতি পূৰি ৰথখান ভৈলা।<br>নাভিৰ হাৰা গোট ক্ষয় নগৈলা॥ |
| অন্তিম পদ | ঃ | বিষ নাই বিষ নাই হুহঙ্কাৰ।<br>নাসীবি ৰোগীৰ সীমা সঞ্চাৰ॥<br>হুং ফট স্বোহা। |
| প্ৰাপ্তিস্থান | ঃ | অসমীয়া বিভাগ, সুৰেন দাস মহাবিদ্যালয়, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | সূৰ্যকান্ত ভৰাঁলী, ধোপৰগুৰি,হাজো। |

পুথিৰ বিৱৰণ ঃ

পুথিখন সাঁচিপাতত লিখিত। মুঠ ৬টা পাতৰ প্ৰতিটো দীঘলে ৩৪ চেঃ মিঃ আৰু পথালিয়ে ১১ চেঃ মিঃ। একোটা পাতত ৮ৰ পৰা ৯ টাকৈ শাৰী আছে। ছন্দত লিখিবৰ যত্ন কৰা হৈছে যদিও প্ৰায় ক্ষেত্ৰতে আখৰৰ সংখ্যাৰ হীন দেৰি ঘটিছে। পুথিখন সম্ভৱতঃ অসম্পূৰ্ণ। ঠায়ে ঠায়ে নিগনিয়ে কুটা হেতু পাঠ নিৰ্ণয়ত কিছু অসুবিধা পোৱা যায়।

## ২৬ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীকালৰুদ্ৰ মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | ভূত-প্ৰেত খেদিবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ পুথি। |
| ৰচক | ঃ | শ্ৰী মিহিৰাম কলিতা, তাতি সোওঁবালকুচি। |

| | | |
|---|---|---|
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৮। |
| নকলৰ সময় | ঃ | '১২২৮ (বাংলা সন), ১৩ কাৰ্ত্তিক জাওঁতে'। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | শ্ৰীকৃষ্ণয়ে নমোঃ॥ ধন্বন্তৰিয়ে নমোঃ॥ কাল ৰুদ্ৰ মন্ত্ৰ॥<br>ৰুদ্ৰয়ে নমোঃ॥<br>সকল মনুস্য অধিকাৰী খেত্ৰপাল।<br>পঞ্চসত অধিকাৰি আপুনি গোপাল॥<br>ত্ৰিদসৰ যজ্ঞ কৰিবাক প্ৰতি।<br>বাঞ্চা লাগি সকল সম্ভাৰ গায়ে গায়ে নিলা মাগি॥ |
| অন্তিম পদ | ঃ | কালৰুদ্ৰ সংহাৰ কৰিলা হৰ কালৰুদ্ৰ হৰ।<br>ত্ৰিদশ কৌটি দেব দত্য জক্ষ ৰাক্ষস ভুত প্ৰেত পিসাছ সবে<br>মৰ। মন্ত্ৰ মাৰি দুৰ কৰো। আমুকাক কালৰুদ্ৰ মাৰি<br>মন্ত্ৰখান সমাপতি কৰো। ওং ওং হ্ৰীং ফট স্বহা। |
| প্ৰাপ্তিস্থান | ঃ | অসমীয়া বিভাগ, সুৰেন দাস মহাবিদ্যালয়, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | সূৰ্যকান্ত ভৰাঁলী, ধোপৰগুৰি,হাজো। |

পুথিৰ বিৱৰণ ঃ

পুথিখন বৃতিছ-কাগজত নকল কৰি লোৱা হৈছে। মুঠ ৯ টা পাতৰ প্ৰতিটো দীঘলে ১৯ চেঃ মিঃ আৰু পথালিয়ে ৭ চেঃ মিঃ। প্ৰতিটো পাতত ৬ টাকৈ শাৰী আছে। অন্ত্যাক্ষৰৰ মিল লক্ষ্য কৰিলেও পুথিখনিৰ ভাষা গদ্যধৰ্মী।

## ২৭ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীপাশুপাত মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | ঘৰৰ চৌহদ বান্ধিবৰ বাবে, অৰ্থাৎ অপদেৱতাৰ পৰা<br>ৰক্ষা কৰিবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১২। |
| নকলৰ সময় | ঃ | ১৭৮৩ শকৰ ফাগুন চ'তৰ দোমাহীত সমাপ্ত। |

| | | |
|---|---|---|
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ পদ | ঃ | মন্ত্ৰধৰায়ে নমঃ॥ হৰিহৰায়ে নমঃ॥ সৰ্ব্বভুত অধিস্থাতায়ে নমঃ॥ পৰম আত্মাএ নমঃ॥<br>মহামন্ত্ৰ পাসুপত্ৰ জুৰিলো কৰত।<br>ভুত প্ৰেত জৈখ দানৱ মাৰিলো সমস্ত॥<br>দৈত্য দানৱ পিসাছ সবে মাৰো।<br>অঠৰ জৈখক কাতি খণ্ড খণ্ড কৰো॥ |
| অন্তিম পদ | ঃ | কাতি ছিণ্ডি কৰো খণ্ড খণ্ড।<br>মহেশ্বৰক স্মৰোণ তোক কৰো দন্দ॥<br>মহেশ্বৰৰ আজ্ঞাএ থও বন্দি কৰি।<br>বান্ধিলো ত্ৰিদশ দেৱ থাক পৰি পৰি॥ |
| প্ৰাপ্তিস্থান | ঃ | অসমীয়া বিভাগ, সুৰেন দাস মহাবিদ্যালয়, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | সূৰ্যকান্ত ভৰাঁলী, ধোপৰগুৰি,হাজো। |

পুথিৰ বিৱৰণ ঃ

পুথিখনৰ সম্পূৰ্ণ পাত পোৱা নাযায়। তুলাপাতত ৰচিত এই পুথিৰ মুঠ ৬ টা পাতৰ প্ৰতিটো দীঘলে ২৫ চেঃ মিঃ আৰু পথালিয়ে ৮ চেঃ মিঃ। প্ৰতিটো পাতত ৮ টাকৈ শাৰী আছে। অন্ত্যাক্ষৰৰ মিল থকিলেও পুথিখনিৰ ভাষাত গদ্যধৰ্মী গুণ প্ৰত্যক্ষ কৰা যায়। ঘৰৰ চৌহদ অপদেৱতাৰ পৰা ৰক্ষা কৰাৰ অৰ্থে এনে মন্ত্ৰেৰে 'হদবন্ধা' নিয়ম অসমৰ প্ৰায় ঠাইতে আজিও প্ৰচলিত।

## ২৮ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | বিলাহি বেজেনি মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | জৰা- ফুকা কৰিবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৫৬। |
| ৰচনাৰ সময় | ঃ | উল্লেখ নাই। |
| ভাষা | ঃ | আধুনিক অসমীয়াৰ ওচৰ চপা। |
| আৰম্ভণিৰ শাৰীঃ | | শ্ৰীকৃষ্ণয়ে নমো॥ শিবায়ে নমো॥ ধন্বন্তৰিএ নমো॥<br>গুৰু ইষ্ট গুৰু বিষ্ণু গুৰু মহেশ্বৰ। |

| | | |
|---|---|---|
| | | গুৰু বিনে গতি নাহি সংসাৰত পৰ॥ |
| অন্তিম শাৰী | ঃ | বিলাহি বেজেনিয়ে বোলে এইদৰে। |
| | | যিতো বেজে পুজা কৰি দিবো এৰিবে তেতিক্ষনে॥ |
| | | হৰ বিস্তাৰ হৰ। |
| | | আমুকিৰ গায়ৰ পৰা গুছি পৰ॥ |
| | | গুৰুৰ চৰণে নমো সিদ্ধ গুৰুৰ পাও। |
| | | ৰক্ষা কৰা কামৰূপৰ কামাক্ষা মাওঁ॥ ॥ |
| প্ৰাপ্তিস্থান | ঃ | অসমীয়া বিভাগ, সুৰেন দাস মহাবিদ্যালয়, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | সূৰ্যকান্ত ভৰাঁলী, ধোপৰগুৰি,হাজো। |

পুথিৰ বিৱৰণ ঃ

হাজো অঞ্চলত প্ৰাপ্ত বিভিন্ন মন্ত্ৰ-পুথিৰ ভিতৰত এই পুথিখন এক উল্লেখযোগ্য ব্যতিক্ৰম। বিলাহি বেজেনি মন্ত্ৰৰ উল্লেখ ইতিপূৰ্বে ক'তো পোৱা হোৱা নাই। পুথিখনিত চন্দ্ৰকেতু ৰজাৰ মৃত কন্যাক জীয়াই তুলিবৰ বাবে বিলাহি বেজেনিয়ে জৰা-ফুকা কৰাৰ ঘটনা এটিৰ উল্লেখ আছে ঃ

হেমগিৰি পৰ্বৃতে আছে বিলাহি বেজেনি।
তৈকে লাগি জায়োঁ দেবগন ছলি॥
সেহিসে জীয়াই দিব তোমাৰ কন্যাখানি।

সম্ভৱতঃ মৃত্যুমুখী মানুহক পুনৰ্জীৱন দিয়াৰ উদ্দেশ্যেৰে এই মন্ত্ৰৰ সৃষ্টি হৈছিল। সি যি কি নহওক, বৃটিছ-কাগজত লিখিত এই পুথিখনিত সৰ্বমুঠ ২৮ টা পাত পোৱা গৈছে। প্ৰতিটো পাতৰ আকাৰ দীঘলে ২২ চেঃ মিঃ আৰু বহলে প্ৰায় ৯ চেঃ মিঃ। সাধাৰণতে একোটা পৃষ্ঠাত ৭ টাকৈ শাৰী পোৱা যায় যদিও, কোনো কোনো পৃষ্ঠাত ৫/৬ শাৰীও পোৱা যায়। অসমত পোৱা বিভিন্ন ফুলৰ নাম সন্নিৱিষ্ট হোৱাটো পুথিখনিৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য।

## ২৯ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | বনৌষধি আৰু মোহিনী মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | বিভিন্ন ৰোগ নিৰাময়ৰ বাবে বন দৰবৰ নিদান আৰু আনক বান্ধি থ'ব পৰা, মোহিত কৰিব পৰা কুমন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১২। |

| | | |
|---|---|---|
| ৰচনাৰ সময় | ঃ | জনা নাযায়। ফুকন ডাঙৰীয়াৰ উল্লেখলৈ চাই এই পুথি আহোম ৰাজত্বকালত ৰচিত যেন অনুমান হয়। |
| ভাষা | ঃ | আধুনিক অসমীয়াৰ ওচৰ চপা। |
| প্ৰাপ্তিস্থান | ঃ | অসমীয়া বিভাগ, সুৰেন দাস মহাবিদ্যালয়, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | সূৰ্যকান্ত ভৰাঁলী, ধোপৰগুৰি,হাজো। |

পুথিৰ বিৱৰণ ঃ

পুথিখনি খণ্ডিত। কেইটিমান পাত হেৰোৱা যেন অনুমান হয়। সাঁচিপাতত ৰচিত এই পুথিৰ মুঠ ৬ টা পাতৰ প্ৰতিটো দীঘলে ২৬ চেঃ মিঃ আৰু পথালিয়ে ৬ চেঃ মিঃ। প্ৰতিটো পাতত ৫ টাকৈ শাৰী আছে। মন্ত্ৰৰ অংশটো ছন্দোবদ্ধ। আনহাতে বনদৰৰৰ অংশটো গদ্যত ৰচিত। সহজতে পোৱা বন দৰৱেৰে কেতবোৰ ৰোগৰ নিদান এনেদৰে দিয়া হৈছে ঃ

বেচু ও কাছখৰৰ ঔষধ আলান্ধু একে বৰণীয়া গাইৰ দুগ্ধত পগাই থই ধানখেৰৰ সিহুনিএৰে দিব নাস॥ উদফাইৰ ঔসধ ৰায়তৰুনৰ এক হাত চকলিয়াই পানিত পেলাই লব চাকোৰা গুচুয়া মাটিমাহ তিনিপিঠি সিজাব পাৰাকে পানি লব ঝালুক ২১ টা চাকোৰা গুচাই বটি দিব সৰু বৰিয়ালৰ সিফা এই সকলো সিজাই খাব তিনি দিন পাতত দিয়া মাচৰে লোনে ভাতে খাব নাস॥ বননহূৰ চাগদুগ্ধ বাসকৰ ৰস বটি খাব তিনি দিন পোৰা লোনে ভাতে খাব নাস॥ বিন্দুসৰৰ ঔসধ কলা তুলসিৰ আগৰ ৰস ১ জোখা টুবুৰি লতাৰ পাতৰআগ ১ জোকা একে বৰণিয়া গাবি দুগ্ধ ২ জোখা একত্ৰ কৰি খাব নাস॥ ময়নৰ হুল মালভেগ কলৰ দক্ষিণৰ সিফা দুওৰো ৰস একে বৰণিয়া গাবি দুগ্ধৰে খাব নাস॥ ঘাওৰ ঔসধ সৰু মানিমনি বৰমানিমনি দুইকো বটি ৰস তেল মাৰি পাৰোয়াৰ পাখি দিব নাস॥ পুৰনি আমলকি ১ পুৰনি সিলিখা ১ পুৰনি আমথি ১ নাগৰ গু ১ পানিখাৰৰ খাহুন ১ খেৰ ১ সেও ১ সকলকো কোদালত নীম টেঙ্গাৰ ৰসত মাৰি দিব নাস॥ চালৰ গুদা পকাপান আমথি পানিখাৰ চাৰিকো গুৰি কৰি ঘাওত দিব ঘাও সুখাই॥

পুথিখনিত বৰ্ণিত বন্ধনৰ মন্ত্ৰ আৰু মোহিনী মন্ত্ৰৰ কেইটামান ফাকি এনে ধৰণৰ ঃ

বন্ধনৰ মন্ত্ৰ ঃ

সদগুৰুৰ পাও ৰক্ষা কৰা কামৰূপৰ কামাক্ষা মাও॥ পুবৰ পৰা আহিল বুপা বুপাই দিলা বাঘতেল কৃপা বাঘতেল কৃপা মোক স্বয়ে হাতত দিলে পদ্ম জলে মুখত দিলে সুৰ্য জলে মাৰিলো দৰ্‌প কৰিলো চুৰ সদগুৰুৰ পাও ৰক্ষা কৰা কামৰূপৰ কামাক্ষা মাও॥ আৰাঙ্গ খৰিকা বাৰাঙ্গ মুঠি আঠ আঙ্গুল খৰিকা বাঘ মুৰ্ত্তি আঠ

আঙ্গুল খৰিকা খুহিলো কোসে আমুকাক বান্ধিলো (অস্পষ্ট) সদগুৰুৰ পাও ৰক্ষা কৰা কামৰূপৰ কামাক্ষা মাও॥ সোনাৰ নাঙ্গল ৰূপাৰ ফাল গঙ্গা গৌৰা যুৰিবে হাল হাল যুৰি উঠিল মাটি আমুকাৰ হাতে ফেলালো বান্ধি জদি আমুকাৰ হাতে নৰাহ পাৰ্ব্বতিৰ পাত সোলকি পৰাহ॥ গোবৰ সুঠা একেটি ভৰিৰ বুৰা আঙুলি দি টীপা মাৰি মন্ত্ৰ বুলিব লাগে॥

সভা মোহনি মন্ত্ৰ ঃ

মোহনি মোহনি জগত মোহনি তোৰ তিনি চাৰি নাউ। হেনন যুগিৰ জিভা কাটি খাঞো॥ মোহনি মোহনি জগত মোহনি তোৰ তিনি চাৰি নাউ। আহ তিনি মোহনি ৰাজা মোহিবলৈ জাঞো॥ ৰাজা মোহিলো প্ৰজা মোহিলো মোহিলো সালৰ হাতি। ফুকন ডাঙ্গৰিয়া সবাকো মোহিলো ভৰি তলুৱাৰ মাটি॥ মোহনি মোহনি জগত মোহনি তোৰ তিনি চাৰি নাউ। আহ তিনি মোহনি ৰাজা মোহিবলৈ জাঞো॥ ৰাজা মোহিলো প্ৰজা মোহিলো বডুয়া লোক ফুকন মোহিলো সবাকো মোহিলো মোহিলো সভাৰ লোক॥ চকল চকল কচলু চকল চকল পাত। মোক দেখি কাৰো নোলাল মাত॥ দিঘলতি দিঘল পাত। দিঘল দেখি মেলিলো হাত॥ আগ চিঙ্গোতে গুৰি ভাঙ্গিল সভা মোহিবলৈ কত বেলি লাগিল॥ তেল তেল তেল চপা তেল। সকলে চিঙ্গিলো মুখে মেল॥ পচিমে বন্ধালো সখি মঞি হিন তেল গহো ৰাজ ৰজা সবেয়ো থাক মুখলৈ চাই বসি॥ বাৰে ঘৰৰ সৰিয়হ তেল বৰ লাই। মোক দেখি তিনিও লোক মাথা দঞাই॥ ঘন গঠিয়া কাকই বত্তিসটা কাছি মঞি মুৰ মেলাই বান্ধিলো খোপা। সকলো সমাজত মাৰিলো সোপা॥ উলট কাপুৰৰ পালত দহি। কি কৰ কাপৰ ডালত বহি॥ উঠ তলৰ সৰা লৌ জাঞো বাউ বসুমতি চন্দ্ৰ সুৰ্য ৰাজ ৰজা নবৰত্ন সভা মহি পেলাঞঁ॥ একবাৰ জোকাৰি ললো কাপুৰ। মোক দেখি সবে মাঠা চাপৰ॥ অনাদি ইস্বৰৰ পাও মোক ৰক্ষা কৰি ফুৰীবা ঠাএ ঠাও॥

## ৩০ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | চামনৰ মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | চামন নামৰ ভুত খেদিবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৪। |

| | | |
|---|---|---|
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | আধুনিক অসমীয়াৰ ওচৰ চপা। |
| আৰম্ভণিৰ শাৰীঃ | | শ্ৰীকৃষ্ণয়ে নমো॥ শ্ৰীধনন্তৰিয়ে নমো॥<br>নিকুম্ভ চামন জাতি চামৰ বাকলাত ভৈল উতপতি।<br>উৰে উৰে চামন তোৰ জানে জন্ম জাতি॥<br>ভাদ্ৰ মাসা মঙ্গলবাৰে ভৈলি উতপতি।<br>এক জাতি চামনৰ ষোল জাতি নাম।<br>শুনি থাকা চামন তোৰ জন্ম কথা কও। |
| অন্তিম শাৰী | ঃ | শেষৰ পৃষ্ঠাটো পোৱা নগ'ল। |
| সংৰক্ষক | ঃ | ৺ৰজনী কান্ত দাস, গেৰুৱা। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক,হাজো। |

পুথিৰ বিৱৰণ ঃ

পুথিখনি খণ্ডিত। কেইটিমান পাত হেৰোৱা যেন অনুমান হয়। বৃটিছ-কাগজত ৰচিত এই পুথিৰ মুঠ ৭ টা পাতৰ প্ৰতিটো দীঘলে ১৮ চেঃ মিঃ আৰু পথালিয়ে ৭ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ৭ টাকৈ শাৰী আছে। মন্ত্ৰটি ছন্দোবদ্ধ।

## ৩১ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | গুকৰতি মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | অশুভ শক্তিৰ প্ৰভাৱ দূৰ কৰিবৰ বাবে ব্যৱহৃত মন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৪। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | আধুনিক অসমীয়াৰ ওচৰ চপা। |
| আৰম্ভণিৰ শাৰীঃ | | শ্ৰীকৃষ্ণএ নমো নমো। গণেশাএ নমো। নমো ধনন্তৰিএ নমো।<br>একলচৰে আচো মই আদি নিৰঞ্জন।<br>ছিষ্টিখান নাহিকে মোক নকৰে শোভণ।<br>এহি বুলি গোষাইৰ মন ভৈলা।<br>প্ৰকৃতিক চাই হেন বচন বুলিলা। |

| | | |
|---|---|---|
| অন্তিম শাৰী | ঃ | ব্ৰহ্মা মহাদেবৰ আজ্ঞা পালো। |
| | | কুমন্ত্ৰ কুজ্ঞান কুকৰ্ম্ম হাৰা মন্দ কৰা ৰোগ ব্যাধি |
| | | গু কৰতি পড়ি সমস্তকে পানীকৃত্য কৰো। |
| সংৰক্ষক | ঃ | ৺ৰজনী কান্ত দাস, গেৰুৱা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক,হাজো। |

পুথিৰ বিৱৰণ ঃ

বৃতিছৰ দিনৰ কাগজত ৰচিত এই পুথিৰ মুঠ ৭ টা পাতৰ প্ৰতিটো দীঘলে ১৪ চেঃ মিঃ আৰু পথালিয়ে ৬ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ৭ টাকৈ শাৰী আছে। মন্ত্ৰটি ছন্দোবদ্ধ যদিও আখৰৰ সংখ্যাৰ তাৰতম্য ঘটিছে।

## ৩২ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | সৰ্ব্ধাক আৰু ব্যাধিৰ মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | সকলো ধৰণৰ ৰোগ নিৰাময়ত ব্যৱহৃত মন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ২৪। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |
| আৰম্ভণিৰ শাৰীঃ | | শ্ৰীগণেশয়ে নমু নমঃ। ধনন্তৰিয়ে নমু নমঃ। ইতি সৰ্ব্ধাক মন্ত্ৰ। |
| | | খালা গোট সোগুনি নিলা গোট পাসি। |
| | | কেতেক বৰ্ণ্ণম তোৰ গুনোৰ প্ৰকাসি॥ |
| অন্তিম শাৰী | ঃ | পোৱা নগ'ল। |
| সংৰক্ষক | ঃ | ৺ৰজনী কান্ত দাস, গেৰুৱা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক,হাজো। |

পুথিব বিৱৰণ ঃ

পুথিখনিৰ শেষৰ পাতকেইখিলামান হেৰোৱা যেন অনুমান হয়। সাঁচিপাতত ৰচিত এই পুথিৰ মুঠ ১২ টা পাতৰ প্ৰতিটো দীঘলে ২৩ চেঃ মিঃ আৰু পথালিয়ে ১০ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ১১ টাকৈ শাৰী আছে। মন্ত্ৰটি ছন্দোবদ্ধ।

## ৩৩ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | হাড় জোৰোৱা মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | ভঙা হাড় জোৰা লগাবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৮। |
| ৰচনাৰ সময় | ঃ | জনা নাযায় । |
| ভাষা | ঃ | কামৰূপী উপভাষা। |
| আৰম্ভণিৰ শাৰী | ঃ | গুৰু গুৰু ধন্তা ধন্তা কলা ধন্তা ধন্তা গুৰুৰ বানি লৰা কস্কা শিৰ বাগাৰা বিষ কল্লু পানি। |
| অন্তিম শাৰী | ঃ | চাৰি কলাৰ পৃথিৱিত বিহ থাকিবাৰ নেদ্‌লু থাই হৰ গৌৰিৰ বানি বিহক কল্লু পানি হাং হুং অং হুং তাং ৰিং ফৎ ছাহা। |
| সংৰক্ষক | ঃ | আলতাফ হুছেইন, শনিয়াদি (বেলোগুৰি), হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | আনোৱাৰ হুছেইন, আধিয়াৰ পাৰা, হাজো। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত লিখা এই মন্ত্ৰ-পুথিখনিত মুঠ ৯ টা পাত আছে। ইয়াৰে প্ৰতিটো পাত দীঘলে ২০ চেঃ মিঃ আৰু পথালিয়ে ১০ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ১১ টাকৈ শাৰী আছে। পুথিৰ গৰাকীৰ পৰা জানিব পৰা মতে উক্ত মন্ত্ৰটি সাধনত পাই তাক লিপিবদ্ধ কৰি ৰাখিছে। মন্ত্ৰটি ভঙা হাড় জোৰা লগোৱাৰ উদ্দেশ্যেৰে ব্যৱহাৰ কৰা হয়।

## ৩৪ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | ব্যাধিৰ মন্ত্ৰ। |
| বিষয় বস্তু | ঃ | বিবিধ প্ৰকাৰৰ ব্যাধি জৰা ফুকা কৰিবৰ বাবে ব্যৱহাৰ কৰা মন্ত্ৰ। |
| ৰচক | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৪৮। |
| ৰচনাৰ সময় | ঃ | জনা নাযায় । |
| ভাষা | ঃ | সংস্কৃত/ অসমীয়া। |

| | | |
|---|---|---|
| আৰম্ভণিৰ শাৰীঃ | | শ্ৰীকৃষ্ণায় নমঃ॥ ৰাম ৰাম পৰাত্মা লাভং জীৱ লাভং ত্ৰিভুবন শিৰঞ্জনং চাৰি যোগ উপৰনং গুৰু মহাশ্চনং পাউনাভং ইশ্বৰ পত পানি উপউনেত্ৰং উপক্ষ চৰণং হৰিহৰং হৰিহৰং শ্ৰীকৃষ্ণ পাণ্ডৱীকাক্ষং গোৰক্ষনাথং হৰিহৰ হৰিহৰ চৰনং ৰাম কৃষ্ণ ৰাম কৃষ্ণং মায়াগ্ৰহ বিপাশ্বনং ব্যাধিগ্ৰহ নাশনং তাপগ্ৰহ নাশনং মহাদেৱ হৰ ত্ৰিশঙ্কৰ ব্ৰক্ষসং স্বামী সৰ্ব্বব্যাধি পানি কৃতং॥ উপতাপ বিষনি দুখনি ঘটানি॥ |
| অন্তিম শাৰী | ঃ | পানি উঠি পৰ শ্বহা স্বহা। স্বহা ভস্মো হব ভস্মো হব॥ |
| সংৰক্ষক | ঃ | আলতাফ হুছেইন, শনিয়াদি (বেলোগুৰি), হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | আনোৱাৰ হুছেইন, আধিয়াৰ পাৰা, হাজো। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত ৰচিত এই মন্ত্ৰ-পুথিখনিত মুঠ ২৪ টা পাত আছে। ইয়াৰে প্ৰতিটো পাত দীঘলে ২০ চেঃ মিঃ আৰু পথালিয়ে ১৫ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ১৪/১৫ টাকৈ শাৰী আছে। পুথিৰ গৰাকীৰ পৰা জানিব পৰা মতে উক্ত মন্ত্ৰটি সাধনত পাই তাক লিপিবদ্ধ কৰি ৰাখিছে। মন্ত্ৰটি মূলতঃ বিভিন্ন ৰোগ ব্যাধিৰ নিৰাময়ক।

## ৩৫ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | আপদুদ্ধাৰ বটুক ভৈৰৱ কবচ। |
| বিষয় বস্তু | ঃ | শ্ৰীশ্ৰী ৰুদ্ৰ যামলৰ শিৱ-পাৰ্বতী সম্বাদৰ অন্তৰ্গত বটুক ভৈৰৱ কবচ। |
| লিপিকাৰ | ঃ | গোপেশ্বৰ ভট্টাচাৰ্য্য। |
| পৃষ্ঠা সংখ্যা | ঃ | ২৮। |
| নকলৰ সময় | ঃ | ১৩৭৭ সন, ২৫ জেঠ। |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| আৰম্ভণিৰ শাৰীঃ | | শ্ৰীশ্ৰীগণেশায় নমঃ। ওঁ অস্য বষিষ্ঠ শাপ বিমোচন মন্ত্ৰস্য ভৈৰব ঋষিঃ প্ৰকৃতি ছন্দো ৰুদ্ৰাদয়ো দেবতা ওঁ হ্ৰীং বীজং পুংশক্তিঃ চতুৰ্ব্বৰ্ণ প্ৰদায়ক দেবতা বশিষ্ঠ শাপ বিমোচনে বিনিয়োগঃ॥ |

| | | |
|---|---|---|
| অন্তিম শাৰী | ঃ | স্তোত্রঞ্চ বিফলং জ্ঞেয়ং বটুকং কবচং বিনা॥ ইতি ৰুদ্র যামলে শিব পাৰ্ব্বতী সংবাদে শ্ৰী বটুক ভৈৰব কবচং সমাপ্তং॥ |
| পুথিৰ গৰাকী | ঃ | গোপেশ্বৰ ভট্টাচাৰ্য্য, বৰখালা, হাজো। |
| প্ৰাপ্তিস্থান | ঃ | কেদাৰ মন্দিৰ, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক,হাজো। |

পুথিৰ বিৱৰণ ঃ

তুলাপাতত ৰচিত এই পুথিৰ মুঠ ১৪ খিলা পাতৰ প্ৰতিটো দীঘলে ১৮ চেঃ মিঃ আৰু পথালিয়ে ৭ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ৬ টাকৈ শাৰী আছে।

## ৩৬ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | অথ বটুক ভৈৰৱ স্তোত্রং। |
| বিষয় বস্তু | ঃ | শ্ৰীশ্ৰী ৰুদ্র যামলৰ শিৱ-পাৰ্বতী সম্বাদৰ অন্তৰ্গত বটুক ভৈৰৱ স্তোত্র। |
| লিপিকাৰ | ঃ | গোপেশ্বৰ ভট্টাচাৰ্য্য। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৮। |
| নকলৰ সময় | ঃ | ১৩৭৭ সন বেংলা), ২২ জেঠ। |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| আৰম্ভণিৰ শাৰীঃ | | ওঁ শ্ৰীশ্ৰীগণেশায় নমঃ। অথ বটুক ভৈৰৱ স্তোত্রং॥<br>কৈলাস শিখৰাসীনং দেব দেবং জগৎ গুৰুং।<br>শঙ্কৰং পৰিপপ্ৰচ্ছ পাৰ্ব্বতী পৰমেশ্বৰং॥ |
| অন্তিম শাৰী | ঃ | এতচ্ছুত্বা ততো দেবী নামাষ্ট শতমূত্তম।<br>ভৈৰবায় প্ৰহৃষ্টা ভূৎস্বয় মহেশ্বৰী॥<br>ইতি বিল্বসাৰতলে আপদুদ্ধাৰকল্প বটুক ভৈৰব স্তবৰাজঃ সমাপ্তঃ॥ |
| পুথিৰ গৰাকী | ঃ | গোপেশ্বৰ ভট্টাচাৰ্য্য, বৰখালা, হাজো। |
| প্ৰাপ্তিস্থান | ঃ | কেদাৰ মন্দিৰ, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক,হাজো। |

পুথিৰ বিৱৰণ ঃ

এই পুথিখনি তুলাপাতত ৰচিত। ইয়াৰ মুঠ ৯ খিলা পাতৰ প্ৰতিটো দীঘলে ১৮ চেঃ মিঃ আৰু পথালিয়ে ৭ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ৬ টাকৈ শাৰী আছে।

৩৭ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | পুংসবন বিধি। |
| বিষয় বস্তু | ঃ | পুংসবন উপলক্ষে পাঠ কৰা স্তোত্র। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | সঠিককৈ কোৱা টান। |
| নকলৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| আৰম্ভণিৰ শাৰীঃ | | ওঁ শ্ৰীশ্ৰীগণেশায় অথ বট নিমন্ত্রণ বিধিঃ। |
| অন্তিম শাৰী | ঃ | ওঁ প্ৰাণা প্ৰাণৌমে তৰ্পয় চক্ষুৰ্ম্মে তৰ্পয় গোত্ৰং মে তৰ্পয় ততঃ প্ৰাচিনাৰীতিৰ্দ্দক্ষিণামুখ পিতৃতিৰ্থেন সানুলেপনাভ্যাং হস্ত্যাভ্যাং জলাঞ্জলিং ভূমৌ সিঞ্চেৎ॥ |
| সংৰক্ষক | ঃ | ৺শৰৎ চন্দ্ৰ শৰ্মা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | মীনাক্ষি নায়ক,হাজো। |

পুথিৰ বিৱৰণ ঃ

বৃতিছ-কাগজত ৰচিত এই পুথিখনি সম্পূর্ণ ৰূপত পোৱা নাযায়। শেষৰ ফালৰ কিছু পাত হেৰোৱা যেন অনুমান হয়। প্ৰাপ্ত পাতকেইখিলাৰ প্ৰতিটোৰে দীঘ ৩৪ চেঃ মিঃ আৰু প্ৰস্থ ১৪ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ১২ টাকৈ শাৰী আছে। ইয়াত পুংসবন উৎসৱত লগা দ্ৰব্য আৰু তজ্জনিত বিধি-ব্যৱস্থাৰ উল্লেখ পোৱা যায়।

# ষষ্ঠ অধ্যায়

## অন্যান্য পুথি

ওপৰৰ অধ্যায়কেইটাৰ অন্তৰ্ভুক্ত কৰিব নোৱৰা পুথিকেইখন এই অধ্যায়ত সামৰিবৰ যত্ন কৰা হৈছে। ইয়াৰে কেইখনমান পুথি হাজো অঞ্চলৰ পৰা উদ্ধাৰ কৰি আনি বিশিষ্ট লোক-সংস্কৃতিবিদ প্ৰবীণ চন্দ্ৰ দাসে তেওঁৰ গুৱাহাটীৰ বাসভৱনত সংৰক্ষণ কৰি ৰাখিছে। তলত প্ৰাপ্ত পুথিসমূহৰ একোটি আভাস দিয়া হৈছে ঃ

### ৩৮ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | মাৰ্কণ্ডেয় পুৰাণ (খণ্ডিত)। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৪৪। |
| নকলৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | সংস্কৃত। |
| সংৰক্ষক | ঃ | প্ৰবীণ চন্দ্ৰ দাস, লঙ্কেশ্বৰ, গুৱাহাটী। |
| তথ্য সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত লিখা এই পুথিখনৰ প্ৰতিটো পাতৰ আকাৰ দীঘলে ২৬ চেঃ মিঃ আৰু বহলে ৫ চেঃ মিঃ। বকলা অংশত সেন্দুৰৰ ফোঁট দিয়া আছে। এই পুৰাণত ৰাজধৰ্ম,বৰ্ণাশ্ৰম ধৰ্ম, গাৰ্হস্থ্য ধৰ্ম, সদাচাৰ, কৰণীয়-অকৰণীয় ইত্যাদি কথাৰ বিৱৰণ আছে। ইয়াৰ উপৰি মহাভাৰতৰ কেতবোৰ ঘটনাৰ লগতে চণ্ডী-মাহাত্ম্যৰ বিষয়েও ইয়াত বৰ্ণনা কৰা হৈছে [শৰ্মাদলৈ ১৯৭৭ ঃ ৪৫৯-৪৬০]। পুথিখনি বিশিষ্ট লোক-সংস্কৃতিবিদ প্ৰবীণ চন্দ্ৰ দাসৰ ঘৰত সংৰক্ষিত আছে। কেতবোৰ কাৰিকৰি বিধি-নিষেধৰ হেতু পুথিখনৰ সম্পূৰ্ণ বিৱৰণ পোৱা নগ'ল।

### ৩৯ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | অগ্নি পুৰাণ। |
| ৰচক | ঃ | অজ্ঞাত। |

| | | |
|---|---|---|
| লিপিকাৰ | ঃ | মধু নাৰায়ণ। |
| পৃষ্ঠা সংখ্যা | ঃ | ৪৮। |
| নকলৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | সংস্কৃত। |
| সংৰক্ষক | ঃ | প্ৰবীণ চন্দ্ৰ দাস, লক্ষেশ্বৰ, গুৱাহটী। |
| তথ্য সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত লিখা এই পুথিখনৰ প্ৰতিটো পাতৰ আকাৰ দীঘলে ২৩ চেঃ মিঃ আৰু বহলে ৬/৫ চেঃ মিঃ। উল্লেখযোগ্য যে অষ্টাদশ মহাপুৰাণৰ ভিতৰত অষ্টম পুৰাণৰূপে খ্যাত এই পুৰাণৰ মূল উদ্দেশ্য শিৱৰ মাহাত্ম্য ঘোষণা। তদুপৰি ইয়াত প্ৰলয়, সৃষ্টি-পাতন, জ্যোতিষ, অদ্বৈত ব্ৰহ্মবিজ্ঞান, ধনুৰ্বেদ, আয়ুৰ্বেদ, অলঙ্কাৰ, ব্যাকৰণ আদি নানা বিষয়ৰ অৱতাৰণা কৰা হৈছে [শৰ্মা দলৈ ১৯৭৭ ঃ ৬]। এইখন পুথিও বিশিষ্ট লোক-সংস্কৃতিবিদ প্ৰবীণ চন্দ্ৰ দাসৰ ঘৰত সংৰক্ষণ কৰা আছে। কেতবোৰ বিধি-নিষেধৰ হেতু ইয়াৰো সম্পূৰ্ণ বিৱৰণ দিব পৰা নগ'ল।

## ৪০ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | বামন পুৰাণ। |
| লিপিকাৰ | ঃ | কৃষ্ণৰায় মহাজন,বৰদধি সত্ৰ, হাজো। |
| পৃষ্ঠা সংখ্যা | ঃ | ৩৪ (বকলা সহ)। |
| নকলৰ সময় | ঃ | ১২৭০ সন (বাংলা), ১৪ জেঠত সমাপ্ত। |
| ভাষা | ঃ | সংস্কৃত। |
| সংৰক্ষক | ঃ | প্ৰবীণ চন্দ্ৰ দাস, লক্ষেশ্বৰ, গুৱাহাটী । |
| তথ্য সংগ্ৰাহক | ঃ | লোপা বৰুৱা। |

পুথিৰ বিৱৰণ ঃ

বৃতিছ-কাগজত লিখা এই পুথিখনৰ প্ৰতিটো পাতৰ আকাৰ দীঘলে ২৩ চেঃ মিঃ আৰু বহলে ৮ চেঃ মিঃ। উল্লেখযোগ্য যে অষ্টাদশ মহাপুৰাণৰ অন্যতম এই পুৰাণত বিষ্ণুৰ বামন অৱতাৰৰ কথা পোৱা যায় [শৰ্মা দলৈ ১৯৭৭ ঃ ৩৬২]। এই পুথিৰ এটি নকল বিশিষ্ট লোক-সংস্কৃতিবিদ প্ৰবীণ চন্দ্ৰ দাসৰ ঘৰত সংৰক্ষণ কৰা আছে। কেতবোৰ বিধি-নিষেধৰ হেতু এইখন পুথিৰো সম্পূৰ্ণ বিৱৰণ দিয়া সম্ভৱ নহ'ল।

## ৪১ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | শ্ৰীশ্ৰী শীতলাৰ নাম। |
| বিষয় বস্তু | ঃ | বসন্ত ৰোগ হ'লে সেই ৰোগ নিৰ্মূল কৰিবলৈ তিৰোতা মানুহে মিলি এই নাম গায়। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ১৬। |
| ৰচনাৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | আধুনিক অসমীয়াৰ ওচৰ চপা। |
| আৰম্ভণিৰ শাৰীঃ | | শ্ৰীকৃষ্ণএ নমো নমো॥ শ্ৰী সিতলাএ নমো। ৰাগ মুদিয়ালি।<br>দিহা॥ বন্দো গুৰুৰ পাৱে অবনত হুয়া।<br>চৰনে সৰন লৈলো ৰাখা মহামায়া॥<br>পদ॥ গুৰু ব্ৰহ্মা গুৰু বিষ্ণো গুৰু আদিদেব।<br>গুৰু বিনে সংসাৰত আন নাহি কেৱ॥ |
| অন্তিম শাৰী | ঃ | অস্পষ্ট। |
| সংৰক্ষক | ঃ | ৺ৰজনী কান্ত দাস, গেৰুৱা। |
| তথ্য সংগ্ৰাহক | ঃ | শ্ৰী মীনাক্ষি নায়ক,হাজো। |

পুথিৰ বিৱৰণ ঃ

বৃতিছ-কাগজত ৰচিত এই পুথিৰ মুঠ ৮ টা পাতৰ প্ৰতিটো দীঘলে ২১ চেঃ মিঃ আৰু পথালিয়ে ৯ চেঃ মিঃ। প্ৰতিটো পৃষ্ঠাত ৭ টাকৈ শাৰী আছে।

## ৪২ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | দুৰ্গাবৰী ৰামায়ণ (অৰণ্য কাণ্ড)। |
| বিষয় বস্তু | ঃ | ৰাম, সীতা, লক্ষ্মণৰ বনবাস আৰু তজ্জনিত ঘটনা। |
| ৰচক | ঃ | দুৰ্গাবৰ কায়স্থ। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৪১। |
| নকলৰ সময় | ঃ | ১২৯২ সন, ২১ কাতিত সমাপ্ত। |
| ভাষা | ঃ | পুৰণি অসমীয়া। |

| | | |
|---|---|---|
| আৰম্ভণিৰ পদ | ঃ | অজধ্যা কান্দৰ কথা ভৈলা অবসান।<br>অৰন্য কাণ্ডৰ কথা শুনা এহিক্ষন॥<br>পাছে আলছিয়া ৰাম লক্ষ্মণ সহিত।<br>আসা কৰিবোহো আমি পিতৃৰ জে কৃত॥ |
| অন্তিম পদ | ঃ | মহা ভ্ৰমে মিৰ্গ গোতা চাহে মাথা তুলি।<br>কোপে ৰাম দেখে ধেনু ধৰি জাই ছলি॥<br>খনো পাস চাপে খনো দুৰক ঝে জাই।<br>কৰে ধেনু ধৰিআ ম্ৰিগক খেদি জাই॥ |
| প্ৰাপ্তিস্থান | ঃ | দামোদৰ গোসাঁই নামঘৰ, ভৰাঁলীটোলা, হাজো। |
| তথ্য সংগ্ৰাহক | ঃ | শ্ৰী মীনাক্ষি নায়ক, হাজো। |

পুথিৰ বিৱৰণ ঃ

তুলাপাতত ৰচিত এই দুৰ্গাবৰী গীতি-ৰামায়ণখনৰ ২১ টা পাতৰ প্ৰতিটো দীঘলে ২৩ চেঃ মিঃ আৰু পথালিয়ে ৯ চেঃ মিঃ জোখৰ আৰু প্ৰতিটো পৃষ্ঠাত থকা শাৰীৰ সংখ্যা ১২। ইয়াত ৰাম, সীতা আৰু লক্ষ্মণৰ চিত্ৰকূট বনত বাস; ৰাৱণৰ দ্বাৰা মায়ামৃগ প্ৰেৰণ আৰু সীতাৰ অনুৰোধাত মায়ামৃগ ধৰিবলৈ ৰামচন্দ্ৰৰ গমন আদি ৰামায়ণৰ অৰণ্যকাণ্ডৰ ঘটনাৱলীৰ সুন্দৰ বৰ্ণনা আছে।

## ৪৩ নং পুথি

| | | |
|---|---|---|
| পুথিৰ নাম | ঃ | ৰিপুঞ্জয়। |
| বিষয় বস্তু | ঃ | বিভিন্ন পাপৰ প্ৰায়চিত্ত-বিধি। |
| ৰচক | ঃ | অজ্ঞাত। |
| লিপিকাৰ | ঃ | অজ্ঞাত। |
| পৃষ্ঠা সংখ্যা | ঃ | ৪৬। |
| নকলৰ সময় | ঃ | জনা নাযায়। |
| ভাষা | ঃ | সংস্কৃত (অসমীয়া লিপি)। |
| আৰম্ভণিৰ পদ | ঃ | ওঁ নমো ভগবতে বাসুদেবায় ॥ অনাদি ভৱ সম্ভূত পাপ প্ৰশমন কাৰণং॥ |
| অন্তিম পদ | ঃ | এতং ত্ৰৈবাৰ্ষিকং ক্ৰিয়া পুনঃ সংস্কাৰমৰ্হতি ইত্যাদিন ন স্বনিকৃত বচনং॥ ওঁ নমো গণেশায় |

সংৰক্ষক ঃ ভবেশ শৰ্মা, গেৰুৱা।

তথ্য সংগ্ৰাহক ঃ শ্ৰী মীনাক্ষি নায়ক, হাজো।

পুথিৰ বিৱৰণ ঃ

সাঁচিপাতত ৰচিত এই পুথিখনিৰ ২৩ টা পাতৰ প্ৰতিটো দীঘলে ৩৫ চেঃ মিঃ আৰু পথালিয়ে ৬ চেঃ মিঃ জোখৰ। ইয়াৰ প্ৰতিটো পৃষ্ঠাত ৬ টাঁকৈ শাৰী আছে। ইয়াত স্ত্ৰী বধ, পৰদাৰ গমন, ব্ৰাহ্মণৰ সুৱৰ্ণ হৰণ, ব্ৰাহ্মণৰ সুৰাপান, গুৰুপত্নী-সংসৰ্গ, ব্ৰহ্মবধ, নৰহত্যা আদি সৰ্বমুঠ ৪৬ বিধ পাপৰ প্ৰায়চিত্তৰ বিধান সবিস্তাৰে বৰ্ণনা কৰা হৈছে।

# সপ্তম অধ্যায়

## উপসংহাৰ

পুৰণি হাতে লেখা পুথিসমূহক জাতি একোটাৰ ঐতিহ্যৰ ধাৰক আৰু বাহক বুলিব পাৰি। কাৰণ ছপাখানাৰ আৱিস্কাৰৰ আগলৈকে এই পুথিসমূহেই সংশ্লিষ্ট জাতি বিশেষৰ বৌদ্ধিক পৰিমণ্ডলৰ পৰিচয় দাঙি ধৰিছিল। এই ফালৰ পৰা পুৰণি পুথিৰ সংৰক্ষণ জাতি একোটাৰ মহৎ কৰ্তব্যৰূপে বিবেচিত। পৃথিৱীৰ সকলো সভ্য দেশৰ বিদ্বৎমণ্ডলী সেই বাবেই এনে প্ৰচেষ্টাৰ প্ৰতি আগ্ৰহী হোৱা দেখা গৈছে।

কেইখনমান ইউৰোপীয় দেশৰ বাহিৰে পৃথিৱীৰ প্ৰায়বোৰ দেশতে পুৰণি পুথিৰ সৈতে অন্ধবিশ্বাস আৰু কুসংস্কাৰ জড়িত হৈ থকাটো মন কৰিবলগীয়া। ইয়াৰ ফলত এইবিধ আপুৰুগীয়া সম্পদৰ অধিকাংশই ইতিমধ্যে লোপ পাইছে। তদুপৰি, ছপাখানাৰ আৱিস্কাৰ আৰু তাৰ ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তায়ো পুৰণি পুথিৰ বিলুপ্তিত যথেষ্ট অৰিহণা যোগাইছে। সি যি কি নহওক, অতি সম্প্ৰতি মানৱ-সভ্যতাৰ ঐতিহ্য বহনকাৰী এই বিধ সম্পদৰ প্ৰতি গোটেই বিশ্ব জুৰি বৌদ্ধিক সমাজ পুনৰ আগ্ৰহী হৈ উঠা পৰিলক্ষিত হৈছে আৰু ইয়াৰ সংগ্ৰহ, সংৰক্ষণ তথা উপযুক্ত গৱেষণাৰ বাবে প্ৰচেষ্টা চলাইছে। মানৱ-সভ্যতাৰ বাবে নিঃসন্দেহে এয়া শুভ লক্ষণ। ভাৰতবৰ্ষও ইয়াৰ ব্যতিক্ৰম হৈ থকা নাই। ভাৰতত **National Mission for Manuscripts, Department of Culture, Government of India**-ৰ জৰিয়তে উল্লিখিত প্ৰাচীন ৰত্ন-ভাণ্ডাৰৰ পুনৰুদ্ধাৰ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ লোৱা হৈছে। ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তৰৰ অসম ভূমিও এই ক্ষেত্ৰত পিছ পৰি থকা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথি-ভৰাঁলে এই দিশত প্ৰশংসনীয় প্ৰচেষ্টা হাতত লোৱাটো মন কৰিবলগীয়া। অসমৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা হাতে-লেখা পুৰণি পুথিসমূহৰ উদ্ধাৰৰ বাবে এই পুথি ভৰাঁলটিৰ অন্তৰ্গত **Manuscript Resource Centre** (MRC) অনুষ্ঠানটিয়ে অহৰহ চেষ্টা চলাই আছে। ইতিমধ্যে পুথি-ভৰাঁলটিত প্ৰায় ২৪,০০০ খন আপুৰুগীয়া পুথি গোট খাইছে। পুথি-ভৰাঁলটোৰ দ্বাৰা সংগৃহীত দুখন আপুৰুগীয়া পুথি *চিত্ৰ ভাগৱত* আৰু *ৰত্নমালা ব্যাকৰণ* **Vijananidhi : Manuscript Treasure of India**-ৰূপে সংৰক্ষিত হোৱাটো এক উল্লেখযোগ্য ঘটনা।

অসমত পুৰণি পুথি-পাঁজি সংগ্ৰহ কৰাৰ প্ৰচেষ্টা আজিৰ পৰা প্ৰায় ডেৰশ বছৰৰ পূৰ্বে আৰম্ভ হৈছিল । ১৮৪০-১৮৫০ চন মানত অসমস্থ আমেৰিকান মিছনেৰীসকলে এই কাম আৰম্ভ কৰিছিল। ইয়াৰ বাটকটীয়া আছিল ৰেভাৰেণ্ড ডঃ নেথান ব্ৰাউন। পৰৱৰ্তী কালত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এই কৰ্মক অধিক প্ৰণালীবদ্ধ ৰূপ প্ৰদান কৰে। এইগৰাকী চিন্তাবিদৰ *Descriptive Catalogue of Assamese Manuscript* নামৰ গ্ৰন্থখন তাৰেই সাৰ্থক পৰিণতি। গোস্বামী ডাঙৰীয়াৰ

উক্ত গ্ৰন্থখনিত অসমৰ বিভিন্ন অঞ্চলৰ পৰা সংগৃহীত ভালেমান পুথিৰ তথ্য সন্নিৱেশিত হৈছে যদিও, ঐতিহ্যমণ্ডিত হাজো অঞ্চলৰ পুথি-পাঁজিৰ বিশেষ তথ্য পাবলৈ নাই। অথচ এই অঞ্চলত শাক্ত, শৈৱ, বৈষ্ণৱ, বৌদ্ধ, ইছলাম আদি প্ৰায় সকলো ধৰ্মৰ সমাহাৰ লক্ষ্য কৰিব পাৰি। বিভিন্ন সময়ত ৰাজনৈতিকভাৱে আহোম, মোগল আৰু কোচ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱা হেতুকে ইয়াৰ সাংস্কৃতিক তথা ধৰ্মীয় জীৱনো কিছু ভিন্ন প্ৰকৃতিৰ। সেয়ে, এই অঞ্চলত ভিন ভিন ধৰ্মৰ বিবিধ পুথি-পাঁজি নকল কৰাৰ পৰম্পৰা গঢ় লৈ উঠিছিল বুলি সহজেই পতিয়ন যাব পাৰি। এই সৃষ্টিৰাজিয়ে ধৰ্মীয় চিন্তা-চৰ্চ্চাৰ লগে লগে অঞ্চলটিৰ সামাজিক, সাংস্কৃতিক ইত্যাদি দিশৰ অভিলেখ সাঁচি ৰাখিছে। গতিকে উক্ত সৃষ্টিৰাজিৰ পুনৰুদ্ধাৰে ইতিহাসৰ এক নতুন পৃষ্ঠা মুকলি কৰাৰ সম্ভাৱনা নুই কৰিবলৈ টান। এনে সম্ভাৱনাৰ চিন্তা কৰিয়েই হাজো অঞ্চলৰ আপুৰুগীয়া পুথি-পাঁজি ঃ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন শীৰ্ষক বিষয়টি বিশ্ববিদ্যালয় অনুদান আয়োগৰ ক্ষুদ্ৰ গৱেষণা-প্ৰকল্পৰ আধাৰত অধ্যয়ন কৰিবলৈ লোৱা হৈছিল।

উল্লিখিত বিষয়টিৰ এই চূড়ান্ত প্ৰতিবেদনত অঞ্চলটিত ক্ষেত্ৰ-অধ্যয়ন যোগে লাভ কৰা পুৰণি পুথিসমূহৰ তথ্যভিত্তিক বিৱৰণ দিয়াৰ প্ৰয়াস কৰা হৈছে। অৱশ্যে এই প্ৰসঙ্গত অতি পৰিতাপেৰে লক্ষ্য কৰা গৈছে যে এনে পুথিৰ প্ৰায় ভাগেই কালৰ গৰ্ভত হেৰাই গৈছে। অঞ্চলটোৰ ভালেমান ব্যক্তিয়ে অন্ধবিশ্বাসৰ বশৱতী হৈ 'দেবাঙ্গ বস্তু' বুলি বহুতো পুথি ইতিমধ্যে পানীত উটুৱাই দিছে। সি যি কি নহওক, যিখিনি পুথিৰ তথ্য পোৱা গৈছে সেইখিনিক মুঠ ছয়টা অধ্যায়ত ভগাই প্ৰতিখন পুথিৰে একোটাকৈ টোকা দিবৰ যত্ন কৰা হৈছে।

প্ৰথম অধ্যায়টোত শক্তি-আৰাধনাৰ সৈতে জড়িত পাঁচখন পুথিৰ বিৱৰণ দিয়া হৈছে। এই পাঁচখন পুথিৰ ভিতৰত *শ্ৰীশ্ৰীচণ্ডী* পুথিখনৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ৰঙ্গনাথ দ্বিজ বিৰচিত এই পুথিখনিৰ বিস্তৃত অধ্যয়নৰ আৱশ্যকতা আছে। পুথিখনিৰ আধাৰ-গ্ৰন্থ *মাৰ্কণ্ডেয় পুৰাণ*। কিন্তু সেয়ে হ'লেও, কবিৰ মৌলিক প্ৰতিভাৰ অভাৱ ঘটা পৰিলক্ষিত নহয়। ৰঙ্গনাথ দ্বিজ আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহত উল্লিখিত ৰঙ্গনাথ চক্ৰৱৰ্তী সম্ভৱতঃ একেজন ব্যক্তি। শাক্তধৰ্মৰ পুথি হ'লেও, পুথিখনি কৃষ্ণস্তুতিৰে আৰম্ভ কৰা হৈছে। এই অধ্যায়ৰ অন্তৰ্গত বাকীকেইখন পুথি দুৰ্গাপূজা আৰু মনসা-পূজাৰ সৈতে জড়িত।

দ্বিতীয় অধ্যায়ত আছে শৈৱধৰ্মৰ সৈতে জড়িত তিনিখন পুথিৰ তথ্য। এই ক্ষেত্ৰত *পদ্ম-পুৰাণ*-ৰ ষোড়শ অধ্যায়ৰ শিৱ-ৰাঘৱ-সম্বাদ আৰু *শ্ৰীশ্ৰীৰুদ্ৰযামল*-ৰ আলমত ৰচিত মহাযোগী শিৱৰ প্ৰাৰ্থনা বিষয়ক পুথি দুখনৰ নাম ল'ব পাৰি।

এই প্ৰতিবেদনৰ তৃতীয় অধ্যায়ত বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় পুথিসমূহৰ তথ্য সন্নিৱেশিত হৈছে। এইটো শিতানত সৰ্বমুঠ এঘাৰখন পুথি সংগৃহীত হোৱাৰ্লে চাই অঞ্চলটোত বৈষ্ণৱ ধৰ্মৰ বিশেষ প্ৰভাৱ পৰিছিল যেন অনুমান হয়। প্ৰাপ্ত পুথিসমূহৰ ভিতৰত *বঘাসুৰ বধ* কাব্যখনেৰ কলেৱৰ

সবাততোকৈ বৃহৎ। স্থানীয় ধোপৰগুৰি সত্ৰত প্ৰাপ্ত *শ্ৰীমদ্ভাগৱত* (চতুৰ্থ স্কন্ধ)-খনৰ প্ৰায়বোৰ পাত নষ্ট হ'বলৈ আৰম্ভ কৰিছে। *নামঘোষা*-ৰ তিনিটা পাঠৰ এটা [পুথি নং ১২] খণ্ডিত আৰু ইয়াৰ পাঠাংশৰ সৈতে মূল পাঠৰ ভালেমান ক্ষেত্ৰত অমিল লক্ষ্য কৰা যায়।

বৌদ্ধ মতাবলম্বীসকলে হাজোক বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ স্থানৰূপে গণ্য কৰি আহিছে। ফলত বহু অতীতৰে পৰা পুণ্যভূমি হাজোলৈ ভূটান, তিব্বত আদি ঠাইৰ পৰা বৌদ্ধধৰ্মী লোকৰ আগমন ঘটি আহিছে। এনে প্ৰব্ৰজনকাৰীয়েও ভূটীয়া লিপিত ভালেমান পুথি ৰচনা কৰা বুলি স্থানীয় লোকৰ পৰা জানিব পৰা যায়। ক্ষেত্ৰ-অধ্যয়নৰ জৰিয়তে আহৰিত এনে তিনিখন পুথিৰ তথ্য চতুৰ্থ অধ্যায়ত দিয়া হৈছে। কিন্তু ভাষা তথা লিপি দুয়োটাই অচিনাকী হোৱা হেতুকে সিবোৰৰ পাঠোদ্ধাৰ সম্ভৱ নহ'ল। বৌদ্ধশাস্ত্ৰ *ত্ৰিপিটক*-ৰ পৰৱৰ্তী বৌদ্ধ-সাহিত্যত অনেক গুপ্ত মন্ত্ৰৰ উল্লেখ পোৱা যায়। তদুপৰি, "বৌদ্ধ সাধনমালাত কামৰূপৰ উল্লেখ আছে। লামা তাৰানাথৰ বৌদ্ধধৰ্মৰ বুৰঞ্জীত মহাযানী গুৰু অশ্বভৱই বিষাক্ত সাপে খোৱা উপাসকসকলক মন্ত্ৰ কৰা পানী ছটিয়াই জীওৱাৰ বৰ্ণনা পোৱা যায়" [নেওগ, ১৯৬২ ঃ ৩৩]। ইয়াৰ পৰা বুজিবলৈ টান নহয় যে বৌদ্ধসকলৰ মাজত মন্ত্ৰৰ বিশেষ প্ৰচলন আছিল। এইবোৰ ঘটনাই প্ৰাপ্ত পুথিকেইখন মন্ত্ৰ-পুথি হোৱাৰ সম্ভাৱনাকে দৃঢ় কৰে। এই পুথিবোৰ যদিহে মন্ত্ৰ-পুথি বা কোনো বনৌষধিৰ পুথি হয়, তেনেহ'লে সেইবোৰৰ বিষয়ে নতুনকৈ চিন্তা-চৰ্চ্চা কৰাৰ আৱশ্যক আছে। ইন্দ্ৰজাল-বিদ্যাক বিজ্ঞানভিত্তিক চিন্তাৰ বাটকটীয়া বোলা হয়। এই ফালৰ পৰাও পুথিকেইখনৰ গুৰুত্ব অপৰিসীম।

পঞ্চম অধ্যায়ত ব্যৱহাৰিক পুথিসমূহৰ তথ্য দিয়া হৈছে। নকলেও চলে, এই শিতানত সন্নিৱিষ্ট পুথিসমূহৰ প্ৰায় আটাইখিনিয়ে মন্ত্ৰ-পুথি। কেতিয়াবা আকৌ মন্ত্ৰ আৰু বিবিধ ৰোগৰ বনৌষধিৰ নিদান একেলগে ৰখা হৈছে। মন্ত্ৰবোৰ ছন্দোবদ্ধ; আনহাতে ৰোগৰ নিদানবোৰ কিন্তু গদ্যত ৰচিত। এইবোৰৰ ভাষাতো স্থানীয় উপভাষাৰ প্ৰভাৱ লক্ষ্য কৰা যায়। মন্ত্ৰবোৰৰ ভিতৰত *সাপৰ বিষ জৰা মন্ত্ৰ*, ভুত-প্ৰেত খেদা *কালৰুদ্ৰ মন্ত্ৰ*, ঘৰৰ চৌহদ বন্ধা *পাশুপাত মন্ত্ৰ*, *মোহিনী মন্ত্ৰ*, *বিলাহি বেজেনি মন্ত্ৰ* আদিয়ে প্ৰধান। এইবোৰৰ ভিতৰত *বিলাহি বেজেনি মন্ত্ৰ*-পুথিখনৰ নাম [২৮ নং পুথি] বিশেষভাৱে উল্লেখনীয়। 'বিলাহি' বিলাসী শব্দৰ অপভ্ৰংশ নে আন কিবা তাক সঠিককৈ কোৱা টান। কৈলাসবাসিনী 'বিলাহি'ক ৰজা চন্দ্ৰকেতুৰ মৃত কন্যাক জীয়াই দিবলৈ অতি ভক্তিভাবেৰে নিমন্ত্ৰণ কৰি অনা কাৰ্যই বেজিনীগৰাকীৰ বিলাসী জীৱনৰ ইঙ্গিত দিয়ে। মন্ত্ৰসমূহত কামৰূপী প্ৰভাৱিত অসমীয়া আৰু অশুদ্ধ সংস্কৃত ভাষাৰ যুগপৎ ব্যৱহাৰ লক্ষ্য কৰিবলগীয়া বিষয়। এইখিনিতে আন এটা কথাও উল্লেখ কৰাটো সমীচীন হ'ব। এই শিতানৰ *হাড় জোৰোৱা মন্ত্ৰ* [৩৩ নং পুথি] আৰু *ব্যাধিৰ মন্ত্ৰ* [৩৪ নং পুথি] শীৰ্ষক পুথি দুখন ঘাইকৈ মুছলমান সম্প্ৰদায়ৰ মাজত প্ৰচলিত। এই মন্ত্ৰ দুটি পুথিৰ গৰাকীয়ে সাধনৰ জৰিয়তে লাভ কৰা বুলি দাবী কৰিছে। কিন্তু, দুয়োখন পুথিতে হিন্দু দেৱ-দেৱীৰ উল্লেখহে পোৱা গৈছে। তদুপৰি, পুথিৰ ভাষাও

প্ৰায় ক্ষেত্ৰতে অশুদ্ধ সংস্কৃত। এনে ঘটনাই অঞ্চলটোত আজিকোপতি বৰ্তি থকা হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ কথাকে দৃঢ় কৰে।

ষষ্ঠ অধ্যায়ত বিষয়বস্তুৰ দিশৰ পৰা পূৰ্বৰ অধ্যায়কেইটাৰ সৈতে খাপ নোখোৱা ছয়খন পুথিৰ তথ্য দাঙি ধৰা হৈছে। ইয়াৰে *মাৰ্কণ্ডেয় পুৰাণ* শীৰ্ষক পুথিখনিত ৰাজধৰ্ম, বৰ্ণাশ্ৰম ধৰ্ম, গাৰ্হস্থ্য ধৰ্ম আদিৰ বিৱৰণ আছে। *অগ্নি পুৰাণ*-ত আছে শিৱৰ মাহাত্ম্য, প্ৰলয়, সৃষ্টি, জ্যোতিষ, আয়ুৰ্বেদ, ধনুৰ্বেদ, অলঙ্কাৰ আদি বিবিধ বিষয়। *বামন পুৰাণ*-ত বিষ্ণুৱে বামন ৰূপ ধৰি দৈত্যৰাজ বলিক কৰা ছলনাৰ বিৱৰণ সন্নিৱিষ্ট হৈছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত পাঁচালী কবিৰূপে পৰিচিত দুৰ্গাবৰ কায়স্থৰ *গীতি-ৰামায়ণ*-ৰ অৰণ্য কাণ্ডৰ প্ৰাপ্ত অংশটিৰ তথ্যও এই অধ্যায়তে সামৰা হৈছে। অগ্ৰজ কবি মাধৱ কন্দলিৰ ৰামায়ণৰ পদৰ হুবহু অনুকৰণ আৰু বিভিন্ন ৰাগ-ৰাগিনীৰ উল্লেখলৈ লক্ষ্য কৰি পুথিখনিক "...মাধৱ কন্দলিৰ পদ ৰামায়ণৰ ওজাপালি তাণ্ডৱণ বুলিলেহে ৰজিতা খাব যেন লাগে" [নেওগ, ১৯৬২ ঃ ১২২]। অধ্যায়টোৰ শেষত সন্নিৱিষ্ট *ৰিপুঞ্জয়* নামৰ পুথিখনত বিভিন্ন পাপৰ প্ৰায়চিত্ত-বিধিৰ বিৱৰণ আছে। সমাজত সংঘটিত বিভিন্ন অপৰাধৰ শাস্তি স্বৰূপ এই বিধানবোৰে কৌটিল্যৰ অৰ্থশাস্ত্ৰত থকা অনুৰূপ বিধি-নিষেধবোৰৰ কথা মনত পেলাই দিয়ে।

ওপৰত উনুকিয়াই অহা মুঠ ৪৩ খন পুথিৰ ১৪ খন সংস্কৃত ভাষাত, ৩খন ভুটীয়া ভাষাত, ২খন সংস্কৃত মিহলি অসমীয়াত আৰু বাকীখিনি বিশুদ্ধ অসমীয়াত ৰচিত। মন্ত্ৰ-পুথিবোৰৰ প্ৰায় আটাইকেইখনতে কামৰূপী উপভাষাৰ চাঁপ সুস্পষ্ট। বানান-ৰীতিৰ ক্ষেত্ৰত সংস্কৃতত ৰচিত পুথিকেইখনৰ বাহিৰে বাকীবোৰত স্থানীয় উচ্চাৰণৰ স্পষ্ট প্ৰভাৱ লক্ষ্য কৰা যায়। অৱশ্যে পাঠোদ্ধাৰ কৰিব নোৱৰা বৌদ্ধধৰ্মৰ পুথিকেইখনৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য নহয়। তদুপৰি, এই প্ৰসঙ্গত এটা কথা লক্ষ্য কৰিবলগীয়া যে প্ৰাপ্ত পুথিবোৰৰ প্ৰায় আটাইবোৰৰে আখৰৰ গঢ় অতি সুন্দৰ আৰু নকলকাৰসকলৰ সকলোৱে মূলতঃ কাইথেলী লিপি ব্যৱহাৰ কৰিছে।

পঞ্চতীৰ্থৰ মিলন ভূমি হাজো অঞ্চলৰ স্থানীয় ৰাইজৰ ধৰ্মীয় সহিষ্ণুতা এক মন কৰিবলগীয়া বিষয়। এই অঞ্চলৰ হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্ক সমগ্ৰ দেশবাসীৰ আদৰ্শ হ'ব পাৰে। প্ৰাপ্ত পুথিৰ তথ্যয়ো তাকেই প্ৰমাণ কৰে। বিশেষকৈ মুছলমান সমাজত প্ৰচলিত মন্ত্ৰ-পুথি দুখনে [৩৩ নং আৰু ৩৪ নং পুথি দ্ৰষ্টব্য] সেই কথাকে প্ৰমাণ কৰে।

শেষত এটা কথা উনুকিয়াই থোৱা যুগুত হ'ব যে এই প্ৰতিবেদনত হাজো অঞ্চলৰ আটাইবোৰ আপুৰুগীয়া পুথিৰ তথ্য সন্নিৱিষ্ট হৈছে বুলি দাবী কৰিলে সত্যৰ অপলাপ কৰা হ'ব। বিস্তৃত অঞ্চল সামৰি বৃহৎ গৱেষণা-প্ৰকল্পৰ আধাৰত ক্ষেত্ৰ-অধ্যয়ন কৰিলে আৰু অনেক পুথি উদ্ধাৰ হোৱাৰ সম্ভাৱনা অস্বীকাৰ কৰিব নোৱাৰি। ভৱিষ্যত গৱেষকে এই দিশত মনোনিৱেশ কৰিব বুলি আশা কৰা হ'ল।

## গ্ৰন্থপঞ্জী

গগৈ, লীলা, ১৯৯৪ ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*। ষ্টুডেন্টচ্ এম্পৰিয়াম। ডিব্ৰুগড়।

চলিহা, সদানন্দ, ১৯৯১ ঃ *গুৱাহাটী বুৰঞ্জীৰ খলাবমাত*। ষ্টুডেন্টচ্ ষ্টʼৰচ্। গুৱাহাটী।

ছাত্তাৰ, আব্দুছ, ১৯৬৩ (পৰিবৰ্ধিত, ১৯৮৪) ঃ *প্ৰসঙ্গ কোষ*। প্ৰকাশক মিচেচ মচহুদা চাত্তাৰ। যোৰহাট।

ঠাকুৰীয়া, ৰামচৰণ, ১৯৯০ ঃ *ভাষা-সাহিত্য-সমীক্ষা*। বীণা লাইব্ৰেৰী। গুৱাহাটী।

ডেকা, শৰৎ চন্দ্ৰ, ১৯৯৯ ঃ "বৃহত্তৰ হাজো ঃ এটি ভৌগোলিক বিশ্লেষণ"। *মণিকূট*। ৬৫তম অসম সাহিত্য সভা, হাজো অধিবেশনৰ স্মৃতিগ্ৰন্থ। সম্পাদক ধ্ৰুৱজ্যোতি চৌধুৰী। প্ৰকাশক আদৰণি সমিতিৰ হৈ প্ৰবীণ চন্দ্ৰ দাস। ১-৯।

তাহেৰ, মহম্মদ (সম্পা), ২০০৫ ঃ *বিশ্বকোষ* (অষ্টম খণ্ড)। অসম সাহিত্য সভা। যোৰহাট।

থাপাৰ, ৰোমিলা, ১৯৮৮ ঃ *ভাৰতবৰ্ষৰ ইতিহাস*। ওৰিয়েন্ট লংম্যান লিমিটেড।

দাস, প্ৰবীণ চন্দ্ৰ, ১৯৮৩ ঃ *পুণ্যভূমি হাজো*। ৰূপ প্ৰকাশ। গুৱাহাটী।

দেৱশৰ্মা, ৰজনীকান্ত (সম্পা), ১৯৭৭ ঃ *কৌটিল্যৰ অৰ্থশাস্ত্ৰ*। অসম প্ৰকাশন পৰিষদ। গুৱাহাটী।

নেওগ, মহেশ্বৰ, ১৯৬২ (পুনৰ্মুদ্ৰণ, ১৯৮৭) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*। চন্দ্ৰ প্ৰকাশ। গুৱাহাটী।

ভৰালী, শৈলেন (সম্পা), ১৯৯৬ (দ্বিতীয় প্ৰকাশ) ঃ *অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি*। চন্দ্ৰ প্ৰকাশ। গুৱাহাটী।

ভূঞা, সূৰ্য কুমাৰ, ১৯৩০ (পুনৰ্মুদ্ৰণ, ১৯৮৭) ঃ *কামৰূপৰ বুৰঞ্জী*। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।

শৰ্মা, নবীন চন্দ্ৰ, ২০০৫ ঃ "পুৰণি অসমীয়া পুথি আৰু সংৰক্ষণৰ প্ৰয়োজনীয়তা"। *গৰীয়সী*, দ্বাদশ বছৰ, অষ্টম সংখ্যা। সম্পাদক চন্দ্ৰ প্ৰসাদ শইকীয়া। সাহিত্য প্ৰকাশ। গুৱাহাটী। ৭১-৭৯।

শৰ্মা, বেণুধৰ (সম্পা), ১৯৭২ ঃ *পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী*। অসম সাহিত্য সভা। যোৰহাট।

শৰ্মাদলৈ, হৰিনাথ, ১৯৭৭ (পুনৰ্মুদ্ৰণ, ১৯৮৯) ঃ *ভাৰত কোষ*। প্ৰকাশিকা শশীবালা দেৱী। বৰপেটা।

Baruah, Birinci Kumar, 1964 (Reprint, 1978) : *History of Assamese Literature*. Sahitya Academi. New delhi.

Bhuyan, Surya Kumar, 1930 : "Preface". *Descriptive Catalogue of Assamese*


*Manuscripts*. Hemchandra Goswami. University of Calcutta. v-xxviii.

Gait, Sir Edward, 1905 (Reprint, 1994) : *A History of Assam*. Lawyer's Book Stall. Guwahati.


Goswami, Hemchandra, 1930 : *Descriptive Catalogue of Assamese Manuscripts.* University of Calcutta.

Hamilton, Francis, 1940 (Reprint, 1987) : *An Account of Assam*. Ed. by S. K. Bhuyan. DHAS, Guwahati.


Talukdar, Umesh Chandra, 1957 : The Place Mahaprinirbana of Gautam Buddha. Publisher Author.




নামঘোষা



নামঘোষা



গীত



গীত